সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

৩০ বছৰ, ২৭ সংখ্যা, ২২ আহাৰ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 27 Date Of Publication - 7 July 2024 Rs.10.00/-

## শিক্ষাসেতু এপত উপস্থিতি নথকা শিক্ষকৰ বিৰুদ্ধে কঠোৰ শিক্ষা বিভাগ

ৰঙিলী বাৰ্তাসেৱা- শিক্ষাসেতু এপক লৈ যোৱা সময়ছোৱাত সৃষ্টি হোৱা নানা বিতৰ্ক-অভিযোগৰ মাজতে স্কুল শিক্ষা বিভাগে পোহৰলৈ আনিছে এক উদ্বেগজনক তথ্য। শিক্ষা বিভাগৰ তথ্য অনুসৰি শিক্ষাসেতু এপত দীৰ্ঘদিনে উপস্থিতিৰ তথ্য নাই ৰাজ্যৰ ৩৩খন জিলাৰ ৪ সহস্ৰাধিক শিক্ষকৰ। কাৰ্যতঃ স্কুল শিক্ষা বিভাগে দীৰ্ঘসময়ৰ পৰা শিক্ষাসেতু এপৰ জৰিয়তে উপস্থিতিৰ তথ্য দিবলৈ দি অহা নিৰ্দেশক একাংশ শিক্ষকে যে সঁহাৰি দিয়া নাই সেয়া স্পষ্ট হৈ পৰিছে। স্কুল শিক্ষা বিভাগে প্ৰতিখন জিলাৰ 'শিক্ষা'ৰ অতিৰিক্ত আয়ুক্তলৈ প্ৰেৰণ কৰা শিক্ষকৰ অনুপস্থিতিৰ তালিকাই স্তম্ভিত কৰাই নহয়, এই বৃহৎসংখ্যক শ্ৰেণীকোঠাত অনুপস্থিত থকা শিক্ষক বৰ্তমান কৰ্মৰত হয় নে নহয়, তাক লৈও প্ৰশ্ন উত্থাপিত হৈছে। স্কুল শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে শেহতীয়াকৈ প্ৰকাশ কৰা কৰ্তব্যত ফাঁকি দিয়া শিক্ষকৰ তালিকা তথা নিৰ্দেশনা ইতিমধ্যে প্ৰতিখন জিলাৰ অতিৰিক্ত আয়ুক্তলৈ প্ৰেৰণ কৰি শিক্ষকসকল কিয় উপস্থিত নাই তাৰ তদন্ত কৰিবলৈ কোৱা হৈছে। তালিকা অনুসৰি ৰাজ্যৰ ৩৩খন জিলাত মুঠ ৪, ৯০৭ গৰাকী শিক্ষক উপস্থিত নাই শ্ৰেণীকোঠাত। লক্ষণীয়ভাৱে এই তালিকাৰ শীৰ্ষত আছে তিনিচুকীয়া জিলা। জিলাখনৰ ৪২৪ গৰাকী শিক্ষকে শিক্ষাসেতু এপত এদিনো উপস্থিতি অন্তৰ্ভুক্ত কৰা নাই। আনহাতে তালিকাৰ দ্বিতীয় স্থানত আছে কামৰূপ (মহানগৰ) জিলা। জিলাখনত মুঠ ২৯৪ গৰাকী শিক্ষক অনুপস্থিত আছে। ইফালে সৰ্বনিম্ন অনুপস্থিতি মাজুলী জিলাত। জিলাখনত ২০ গৰাকী শিক্ষক অনুপস্থিত হৈ আছে। আনহাতে গোৱালপাৰা জিলাত ২৪৫ গৰাকী, নগাঁও জিলাত ২৫৯ গৰাকী, শোণিতপুৰ জিলাত ১৭৬গৰাকী, কোকৰাঝাৰ জিলাত ২০০ গৰাকী, কৰিমগঞ্জ জিলাত ২০২গৰাকী, ধুবুৰী জিলাত ২৮৬গৰাকী, বাক্সা জিলাত ১৬২গৰাকী, বিশ্বনাথ জিলাত ১৩৫গৰাকী, দৰং জিলাত ১৭২গৰাকী, ডিব্ৰুগড় জিলাত ১৫৮ গৰাকী, ডিমা হাছাও জিলাত ১৯৭ গৰাকী, কাছাৰ জিলাত ১৭১ গৰাকী, শিৱসাগৰ জিলাত ১২০ গৰাকী গোলাঘাট জিলাত ১৯৩গৰাকী, যোৰহাট জিলাত ১৬০ গৰাকী, কাৰ্বি আংলং

(দহ পৃষ্ঠাত চাওক)

## শিক্ষাৰ্থীৰ ছুৰীৰ আঘাতত প্ৰাণ হেৰুৱালে অধ্যক্ষই



ৰঙিলী বাৰ্তাসেৱা- শিৱসাগৰত সংঘটিত হৈছে শৈক্ষিক সমাজক লজ্জাজনক কৰা এক ঘটনা । শিক্ষাৰ্থীৰ ছুৰীৰ আঘাতত প্ৰাণ হেৰুৱালে অধ্যক্ষই। শিৱসাগৰ চহৰৰ লখিমীনগৰৰ বি ডি ৰোডত অৱস্থিত ছাই বিকাশ একাডেমিত সংঘটিত হৈছে এই জঘন্য কাণ্ড । উল্লেখ্য যে ভাৰতজুৰি থকা সাই বিকাশ একাডেমীৰ লখিমীনগৰস্থিত প্ৰতিষ্ঠানটোত নিয়মিত শ্ৰেণীৰ লগতে NEET আৰু JEE বাছনি পৰীক্ষাৰ বাবেও শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। সেই ছাই বিকাশ একাডেমিত ছাই সানিলে একাদশ শ্ৰেণীৰ এজন ছাত্ৰই। শিক্ষানুষ্ঠানখনৰ শিক্ষাৰ্থীৰ পৰা জানিব পৰা মতে, অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেই ছাই বিকাশ শিক্ষানুষ্ঠানৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰজনে ছুৰী মাৰি হত্যা কৰে বিজ্ঞানৰ শিক্ষক তথা প্ৰশাসনিক মুৰব্বী ৰাজেশ বাবুক । আনদিনাৰ দৰে শনিবাৰেও শ্ৰেণী আৰম্ভ হোৱাৰ পিছতেই তৃতীয় পিৰিয়ডত ৰাজেশ বাবুৰ দৃষ্টি পৰিছিল এজন ছাত্ৰই বহীত একোৰেই নিলিখাৰ দৃশ্য। লগে লগে ছাত্ৰজনক কিয় বহীত লিখা নাই বুলি প্ৰশ্ন কৰাৰ লগতে নিৰ্দেশ অমান্য কৰা শিক্ষাৰ্থীৰ মোৰ ক্লাছত প্ৰয়োজন নাই বুলি সকীয়াই দিছিল। ইয়াৰ পিছতে শিক্ষক ৰাজেশ বাবুক একো নোকোৱাকৈয়ে শ্ৰেণীকোঠাৰ পৰা ওলাই গৈছিল ছাত্ৰজন। ইয়াৰ পিছত স্বাভাৱিকভাৱেই বাকী শ্ৰেণীসমূহ পৰিচালিত হৈছিল। ইয়াৰ পিছতে ছাত্ৰজনে ঘৰলৈ গৈ ইউনিফৰ্ম সলাই পুনৰ শিক্ষানুষ্ঠানলৈ আহে । বিয়লি প্ৰায় ৩.৩০ বজাত শিক্ষক ৰাজেশ বাবুৱে ৰসায়ন বিভাগৰ পাঠদান কৰি থকাৰ সময়তে পুনৰ ছাত্ৰজনে আহি প্ৰৱেশ কৰাত ৰাজেশ বাবুৱে শিক্ষাৰ্থীগৰাকীক এই সম্পৰ্কত প্ৰশ্ন কৰাৰ লগতে অনুমতিবিহীনভাৱে শ্ৰেণীকোঠাত প্ৰৱেশ কৰা সন্দৰ্ভত প্ৰশ্ন কৰে। ইয়াকে লৈ ঘাতক ছাত্ৰজনে চিঞৰি চিঞৰি ময়ো সমানেই পইচা দিছোঁ, মোকো গুৰুত্ব দিব লাগিব বুলি শিক্ষকগৰাকীৰ সৈতে তৰ্কত লিপ্ত হোৱাৰ লগতে গোপনে লৈ অনা ছুৰীৰে উপৰ্যুপৰি বুকুত আঘাত কৰে। বুকুৰ কেইবাটাও স্থানত ধৰাল ছুৰীৰে আঘাত কৰাৰ ফলত শিক্ষকগৰাকী শ্ৰেণীকোঠাৰ

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান...

## সন্মান- অপমান - অতীত আৰু বৰ্তমান

দেৱাশিস গোস্বামী








শিৰোনামা দেখি আপোনালোকৰ মনত বিভিন্ন ধৰণৰ চিন্তাই দোলা দি অতীতৰ বিভিন্ন ঘটনাৰাজিলৈ মনত পেলাই দিছে, নহয়নে বাৰু? তিতা-মিঠা বিভিন্ন অভিজ্ঞতা, সেই বিশেষ অভিজ্ঞতা দিয়া বিভিন্ন চেহেৰা, চৰিত্ৰ বোৰ, সেই বিশেষ সময় বোৰ মনত পৰিলে প্ৰথমে খং উঠে, কষ্ট পোৱা যায়, পিছ মূহুৰ্তত হাঁহি উঠে, ভালো লাগে। হাঁহি উঠে মানুহবোৰৰ দুমুখীয়া চৰিত্ৰবোৰ দেখি। এই শ্ৰেণীৰ লোকসকলে বাধ্যত পৰি বৰ কষ্টেৰে আনক সন্মান যাচে। চকুৰ সন্মুখত থকালৈকে এনে লাগে, তেওঁৰ দৰে যেন অমায়িক, হিতৈষী, পৰম বিশ্বাসী আন কোনোৰেই নাই। কিন্তু যেনেদৰে কুকুৰৰ নেগুৰ কেতিয়াও চিধা নহয়, এই সকল লোকৰো 'গছত উঠাই গুৰি কটা', 'পিঠিত ছুৰি বহুৱা', 'নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে যি কোনো পৰ্য্যায়লৈ নামিব পৰা' আদি স্বভাৱ বোৰৰ কোনোপধ্যেই পৰিবৰ্তন নহয়। বৰ কষ্টেৰে এনে নীচ মনোভাৱ তথা স্বভাৱবোৰক দবাই ৰখাৰ আপ্ৰাণ চেষ্টা কৰে। কিছু সময়ৰ বাবে সফলো হয়, পিছে আচল ৰূপতো লোকচক্ষুৰ আগত ধৰা পৰিবলৈ বৰ বেছিদিনলৈ অপেক্ষা কৰিব লগীয়া নহয়। স্বভাৱজাত প্ৰবৃত্তিৰ বাবে এই শ্ৰেণীৰ লোকে আনক যচাঁ সন্মানবোৰ নিমিষতে চূড়ান্ত অপমানলৈ যেন পৰিবৰ্তন হৈ

(দহ পৃষ্ঠাত চাওক)

# দৰং জিলাত বানৰ কবলত ১১১ খন গাওঁ



ৰঙিলী বাৰ্ত্তাসেৱা- সাম্প্ৰতিক বানে দৰং জিলাৰ কেবাখনো গাওঁ প্লাবিত কৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি জিলাখনৰ এতিয়ালৈকে মঙলদৈ, পূব মঙলদৈ, দলগাওঁ আৰু ছিপাঝাৰ ৰাজহ চক্ৰৰ ১১১ খন গাওঁ বানৰ কবলত পৰিছে আৰু ১,৯০,২৬১ গৰাকী লোক ক্ষতিগ্ৰস্ত হৈছে। উক্ত ৰাজহ চক্ৰসমূহৰ অন্তৰ্গত ১৭১৭ হেক্টৰ কৃষিভূমি অঞ্চল প্লাবিত হৈছে। তদুপৰি ১৫,৬৮৫ টা পশুধন বানৰ কবলত পৰিছে। ইতিমধ্যে মঙলদৈ ৰাজহ চক্ৰত ১০ টা আৰু ছিপাঝাৰ ৰাজহ চক্ৰত এটা প্ৰশাসনৰ দ্বাৰা স্থাপিত সাহাৰ্য কেন্দ্ৰত বানাক্ৰান্তলোকক সাহাৰ্য প্ৰদান কৰি থকা হৈছে। জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে সংশ্লিষ্ট বিভাগসমূহক কয় যে বানাক্ৰান্তৰ প্ৰতি ৰচদ-পাতি, ঔষধ, পশুধনৰ বাবে খাদ্য আদি যোগান অব্যাহত ৰাখিব লাগিব। শেহতীয়া বানৰ পৰা উদ্ভৱ হ'ব পৰা যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সাজু হৈ থাকিবৰ কাৰণে তেওঁ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। জিলা প্ৰশাসনে বান পৰিস্থিতিৰ ওপৰত অহৰহ চোকা দৃষ্টি ৰাখিছে।

# সৰ্ব্বাইবন্ধা পূজা মন্দিৰৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া ভাষাসাহিত্যলৈ কিছু হ'লেও বৰঙণি আগবঢ়োৱা, লগতে নতুন নতুন লেখক- লেখিকাৰ সৃষ্টিৰ উদ্দেশ্য আগত ৰাখি সৰ্ব্বাইবন্ধা পূজামন্দিৰে যোৱা ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা এখনি প্ৰাচীৰ পত্ৰিকা ছপা আৰু ডিজিটেল মাধ্যমত ধাৰাবাহিকভাৱে উলিয়াই আহিছে। দ্বিতীয় বছৰৰ পঞ্চম সংখ্যাটি যোৱা ৩ জুলাইত সৰ্ব্বাইবন্ধা পূজা মন্দিৰত আনুষ্ঠানিক ভাবে উন্মোচন কৰে অসমৰ যুৱ ঐতিহ্য সংৰক্ষক, বুৰঞ্জী গবেষক, সুলেখক আৰু অসমৰ এজন আদৰ্শ যুৱ সমাজকৰ্মী শ্ৰী অভিনিবেশ শৰ্মাই। শেহতীয়াকৈ ভিন্টেজ হাব নামেৰে এটি প্ৰকল্প আৰম্ভ কৰা অভিনিবেশে যোৰহাটত কেইবাগৰাকীও যুৱকৰ্মীক লগত লৈ কিছু উন্নয়নমূলক কাম- কাজ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। উন্মোচনী ভাষণত অভিনিবেশে সৰ্ব্বাইবন্ধা পূজা মন্দিৰে নিয়মিত ভাবে এখনি প্ৰাচীৰ পত্ৰিকা উলিয়াই অসমীয়া সাহিত্য জগতলৈ বৰঙণি আগবঢ়োৱাৰ কথা উল্লেখ কৰে। লগতে এই কামৰ বাবে সৰ্ব্বাইবন্ধা পূজামন্দিৰ সঁচাকৈ সকলোৰে বাবে প্ৰশংসা পাত্ৰ। সৰ্ব্বাইবন্ধা পূজা মন্দিৰৰ সভাপতি ড° শ্যামল প্ৰসাদ বৰুৱাই সভাপতিত্বত কৰা প্ৰাচীৰ পত্ৰিকাৰ সম্পাদক তথা অসমৰ বিশিষ্ট ক্ৰীড়া সংগঠক পবিত্ৰ বৰঠাকুৰে আতঁ ধৰা উন্মোচনী অনুষ্ঠানটিত ক্ৰমে সমাজ কৰ্মী নীৰেন শৰ্মা, প্ৰাচীৰ পত্ৰিকাৰ সম্পাদিকা তথা সু লেখিকা ৰাজলক্ষ্মী শৰ্মা গোস্বামী, প্ৰবক্তা ড° গৌতম বৰঠাকুৰ, সমাজ কৰ্মী প্ৰশান্ত প্ৰসাদ বৰুৱা, সীমাৰাণী শৰ্মা ভত্ৰ, সভাপতি ডশ্যামল প্ৰসাদ বৰুৱাই বক্তব্য ৰাখে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কলাগুৰু বিষ্ণু ৰাভা স্মৃতি দিৱস উপলক্ষে কবিতা পাঠ কৰে অঞ্জনা পাঠক আৰু অঞ্জনা গোস্বামী চক্ৰৱৰ্তীয়ে।

# দৰঙত সম্পূৰ্ণতা অভিযানৰ শুভাৰম্ভণি অনুষ্ঠান

ৰঙিলী বাৰ্ত্তাসেৱা- দৰং জিলা প্ৰশাসনে মঙলদৈৰ জিলা পুথিভঁৰালত 'সম্পূৰ্ণতা অভিযান'ৰ শুভাৰম্ভণি অনুষ্ঠিত কৰে। দেশৰ ১১২ খন আকাংক্ষিত জিলাৰ ৫০০ টা উন্নয়ন খণ্ডই সকলো উন্নয়নৰ সূচকত পৰিপূৰ্ণতা লাভ কৰাৰ উদ্দেশ্যে দেশজুৰি সম্পূৰ্ণতা অভিযান আৰম্ভ কৰা হৈছে। এই উন্নয়ন খণ্ড সমূহৰ ভিতৰত দৰং জিলাৰ পূব মঙলদৈ উন্নয়ন খণ্ডও আছে। নীতি আয়োগৰ নিৰ্দেশ মৰ্মে দৰং জিলা প্ৰশাসনে জিলা পুথিভঁৰালত সম্পূৰ্ণতা অভিযানৰ শুভাৰম্ভ কৰে। এই অভিযান অহা ৩০ ছেপ্টেম্বৰলৈকে চলিব। এই সম্পূৰ্ণতা অভিযানৰ মূল উদ্দেশ্য হৈছে উন্নয়নৰ সূচকসমূহৰ ক্ষেত্ৰত সম্পূৰ্ণ সফলতা লাভ কৰা। আজি এই শুভাৰম্ভণি অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই কয় যে নিটি আয়োগে প্ৰেৰণাদায়ক উন্নয়ন খণ্ডলৈ পৰিবৰ্তন কৰিব বিচৰা ৫০০ টা উন্নয়ন খণ্ডৰ ভিতৰত দৰঙৰ পূব মঙলদৈ উন্নয়ন খণ্ড আছে। পূব মঙলদৈ উন্নয়ন খণ্ডই যাতে সকলো উন্নয়নৰ সূচকত পূৰ্ণতা লাভ কৰিব পাৰে তাৰবাবে সংশ্লিষ্ট সকলোৰে ঐকান্তিকতাৰে কাম কৰিব লাগিব। তেওঁ পূব মঙলদৈ উন্নয়ন খণ্ডক প্ৰেৰণাদায়ক উন্নয়ন খণ্ডলৈ ৰূপান্তৰ কৰিবৰ বাবে প্ৰতিযোগিতাৰ মনোভাৱেৰে কাম কৰিবলৈ সংশ্লিষ্ট সকলোৰে প্ৰতি আহ্বান জনায়। উক্ত অনুষ্ঠানত ভাষণ প্ৰদান কৰি ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে কয় যে স্বাস্থ্য, পুষ্টি, কৃষি আদি বিভিন্ন ক্ষেত্ৰত চৰকাৰী আঁচনিসমূহৰ সঠিক ৰূপায়ন হ'ব লাগিব। আকাংক্ষিত উন্নয়ন খণ্ডক




প্ৰেৰণাদায়ক উন্নয়ন খণ্ডলৈ পৰিবৰ্তিত কৰাৰ বাবে শিশু আৰু মহিলাৰ স্বাস্থ্যৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ এই ক্ষেত্ৰত আন্তৰিকতাৰে কাম কৰিবলৈ আশাকৰ্মী, অংগনাৱাড়ী কৰ্মীসকললৈ আহ্বান জনায়। সভাত ভাষণ প্ৰদান কৰি মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাসে কয় যে চৰকাৰে আকাংক্ষিত জিলাসমূহৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি আৰু পদক্ষেপ গ্ৰহণ কৰি আহিছে। শেহতীয়াকৈ সমগ্ৰ দেশজুৰি ৫০০টা উন্নয়ন খণ্ডক উন্নয়নৰ পৰিপূৰ্ণতা দিবলৈ নিটি আয়োগে পদক্ষেপ গ্ৰহণ কৰি আহিছে। তেওঁ কয় যে দৰং জিলা প্ৰশাসনে লগতে সংশ্লিষ্ট সকলোৰে সহযোগত পূব মঙলদৈ উন্নয়ন খণ্ডই এই ক্ষেত্ৰত সম্পূৰ্ণ সফলতা লাভ কৰি প্ৰেৰণাদায়ক উন্নয়ন খণ্ডলৈ পৰিবৰ্তিত হ'ব। সভাত ভাষণ প্ৰদান কৰি অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে পূব মঙলদৈ উন্নয়ন খণ্ডক নিটি আয়োগে নিৰ্দ্ধাৰণ কৰা উন্নয়নৰ সকলো সূচকত পৰিপূৰ্ণতা লাভ কৰিবৰ বাবে দায়বদ্ধতাৰে কাম কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে কয় যে দেশৰ নিৰ্বাচিত ৫০০ আকাংক্ষিত উন্নয়ন খণ্ডক প্ৰেৰণাদায়ক উন্নয়ন খণ্ডলৈ ৰূপান্তৰ কৰাৰ বাবে গ্ৰহণ কৰা সম্পূৰ্ণতা অভিযানে পূব মঙলদৈ উন্নয়ন খণ্ডক সামৰি লৈছে। এই অভিযানৰ উদ্দেশ্য সফল কৰিবৰ বাবে জিলাখনৰ সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলে সম্পূৰ্ণ দায়বদ্ধতাৰে কাম কৰিব। ভাষণ প্ৰসংগত তেওঁ এই অভিযানৰ লক্ষ্য-উদ্দেশ্য আৰু কৰ্মসূচীৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত গোপাল শৰ্মায়ো ভাষণ দিয়ে। উক্ত অনুষ্ঠানত উপস্থিত সকলোৰে সম্পূৰ্ণতা অভিযানৰ শপত গ্ৰহণ কৰে। সম্পূৰ্ণতা অভিযানৰ শুভাৰম্ভণিৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰা হয়। সম্পূৰ্ণতা অভিযানৰ শুভাৰম্ভণি অনুষ্ঠানত জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, আশা-অংগনাৱাড়ী কৰ্মী, সাংস্কৃতিক কৰ্মী আদিৰ লগতে ৰাইজ উপস্থিত থাকে।

# যোগিঘোপাৰ পৰা বৰপেটা টাউন আৰু হাজো হৈ আমিনগাঁৱলৈ নতুন ৰে'ল লাইন স্থাপনৰ দাবীৰে ৰে'লমন্ত্ৰীক স্মাৰকপত্ৰ অগপৰ দুই সাংসদৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসম গণ পৰিষদৰ লোকসভাৰ সাংসদ ফণীভূষণ চৌধুৰী আৰু ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী কুমাৰ বৈষ্ণৱক সাক্ষাৎ কৰি এখন স্মাৰকপত্ৰ দাখিল কৰে। অসমত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই স্মাৰক পত্ৰখন দিয়ে সাংসদদ্বয়ে। বৰপেটাবাসীৰ দীৰ্ঘদিনীয়া আশা পুৰণ কৰিবৰ বাবে স্মাৰকপত্ৰখনৰ এটা প্ৰাথমিক দাবী হ'ল- যোগিযোপাৰ পৰা বৰপেটা টাউন আৰু হাজো হৈ আমিনগাঁৱলৈ এটা নতুন ৰে'ল লাইন স্থাপন কৰা। এই প্ৰস্তাৱিত ৰে'ল লাইনৰ লক্ষ্য হৈছে পৰিবহণ আন্তঃগাঁথনি উন্নত কৰি অসমত যাতায়ত ব্যৱস্থাৰ উত্তৰণ ঘটোৱা আৰু অৰ্থনৈতিক বিকাশ তত্বান্বিত কৰা। স্মাৰকপত্ৰখন গ্ৰহণ কৰি অশ্বিনী কুমাৰ বৈষ্ণৱে দীৰ্ঘদিন ধৰি প্ৰতীক্ষিত এই প্ৰকল্পটো শীঘ্ৰেই আৰম্ভ হ'ব আৰু ইয়াৰ কাৰ্যকৰীকৰণ ত্বৰান্বিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে।

# ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিলে হেমন্ত ছোৰেনে

ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিলে হেমন্ত ছোৰেনে। ঝাৰখণ্ড মুক্তি মৰ্চাৰ কাৰ্যকৰী অধ্যক্ষ হেমন্ত ছোৰেনে ৰাজভৱনৰ বীৰছা মণ্ডপতত মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে হেমন্ত ছোৰেনক শপতবাক্য পাঠ কৰোৱায় । জে এম এম নেতা চম্পাই ছোৰেনে ৰাজ্যপালক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰাৰ এদিনৰ পিচত হেমন্ত ছোৰেনে তৃতীয়বাৰৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। বুধবাৰে চম্পাই ছোৰেনে পদত্যাগ কৰাৰ কিছু সময়ৰ পিচতে হেমন্ত ছোৰেনে ৰাজ্যখনত চৰকাৰ গঠনৰ দাবী জনায় । উল্লেখ্য যে ভুমি



কেলেংকাৰীৰ সৈতে জড়িত ধন সৰবৰাহৰ গোচৰত ৩১ জানুৱাৰীত ইডিয়ে গ্ৰেপ্তাৰ কৰিছিল হেমন্ত ছোৰেনক । অৱশ্যে ইডিয়ে গ্ৰেপ্তাৰ কৰাৰ পূৰ্বেই মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিছিল তেওঁ । ইয়াৰ পিচতে জে'লযাত্ৰা কৰিছিল হেমন্ত ছোৰেনে । হেমন্ত ছোৰেন কাৰাবন্দী হোৱাত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ পদত অধিস্থিত হৈছিল চম্পাই ছোৰেন । প্ৰায় পাঁচমাহ কাৰাবান্দী হৈ থকাৰ পিচত উচ্চন্যায়ালয়ে জামিন মঞ্জুৰ কৰাত ২৮ জুনত মুকলি আকাশৰ তললৈ আহে হেমন্ত ছোৰেন। ইয়াৰ পিচতে ৩ জুলাইত মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰে চম্পাই ছোৰেনে আৰু ৪ জুলাইত পুনৰবাৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে হেমন্ত ছোৰেনে ।

# এছ এফ আইৰ প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- এছ এফ আইৰ অসম ৰাজ্যিক কমিটীয়ে গুৱাহাটী ক্লাবস্থিত ৰটাৰিৰ সমীপত এক ছাত্ৰ বিক্ষোভ প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ন কৰে। উল্লেখ থাকে যে সমগ্ৰ দেশতে এন টি এ ৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ চলি থকাৰ লগত সংগতি ৰাখি এছ এফ আইৰ ৰাজ্যিক কমিটীয়ে এন টি এক বৰ্জন কৰক তথা ইয়াৰ অধীনত চলি থকা NEET, NET, SCAM আৰু সমৰ্থ পৰীক্ষা সমূহ বাতিল কৰা, ছাত্ৰ ছাত্ৰীৰ জীৱনৰ লগত হেতালি খেলা বন্ধ কৰা, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ আৰু কেলেংকাৰী পৰীক্ষা সমূহ বাতিল কৰি পুনৰ পৰীক্ষা অনুষ্ঠিত কৰা আদিৰ দাবীত হাতে হাতে বেনাৰ পোষ্টাৰ লৈ বিভিন্ন শ্লোগান দি পৰিৱেশ উত্তাল কৰে। যদিহে কেন্দ্ৰীয় চৰকাৰে তথা ৰাজ্য চৰকাৰে ইয়াৰ সু ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে অনাগত দিনত আৰু অধিক তীব্ৰতৰ আন্দোলন গঢ়ি তুলিব বুলি তেওঁলোকে প্ৰকাশ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত এছ এফ আইৰ ৰাজ্যিক সভানেত্ৰী সংগীতা দাস, সম্পাদক হৰ্ষজিত দাস, গোলাঘাট জিলাৰ সম্পাদক ধ্ৰুৱজ্যোতি শইকীয়া, আলোক নৰহকে আদি কৰি প্ৰায় ১৫ জন ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# কংগ্ৰেছ ত্যাগ কৰি আপত যোগদান ৰমেন বৰঠাকুৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দীৰ্ঘদিনৰ পৰা কংগ্ৰেছৰ সৈতে জড়িত হৈ দলটোক নেতৃত্ব প্ৰদান কৰা ৰমেন বৰঠাকুৰে অৱশেষত কংগ্ৰেছ ত্যাগ কৰি আম আদমী পাৰ্টিত যোগদান কৰিলে। নতুন দিল্লীত আপৰ ৰাষ্ট্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদমেলত দলৰ ৰাষ্ট্ৰীয় নেত্ৰী তথা দিল্লীৰ শিক্ষামন্ত্ৰী আতিশী আৰু উত্তৰ পূৰ্বাঞ্চলৰ তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাৰ উপস্থিতিত আপত যোগদান কৰে। প্ৰাক্তন কংগ্ৰেছ নেতাগৰাকীক দললৈ আদৰণি জনাই আতিশীয়ে কয়-"ৰমেন বৰঠাকুৰে সুদীৰ্ঘ ২৩ বছৰ ধৰি কংগ্ৰেছৰ সৈতে জড়িত হৈ দলটোক নেতৃত্ব দিছিল। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ মুখপাত্ৰ হিচাপে দায়িত্ব পালন কৰা বৰঠাকুৰে ২০২১ চনৰ বিধান সভা নিৰ্বাচনত জালুকবাৰী সমষ্টিত বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছিল। আজি আমি তেওঁক আপলৈ আদৰণি জনাবলৈ পাই সুখী হৈছোঁ।" আতিশীয়ে গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত এটা ৱাৰ্ডত আপৰ প্ৰাৰ্থীৰ বিজয়ৰ উপৰি তিনিচুকীয়া আৰু লখিমপুৰ পৌৰ সভাৰ নিৰ্বাচনতো আপৰ প্ৰাৰ্থীয়ে জনসাধাৰণৰ সমৰ্থন লাভ কৰাৰ প্ৰসংগ উল্লেখ কৰে। বিগত লোকসভাৰ নিৰ্বাচনত ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিত আপৰ প্ৰাৰ্থীয়ে দলৰ ভেটি প্ৰতিষ্ঠা (দহ পৃষ্ঠাত চাওক)

# বান পৰিস্থিতিৰ বুজ লবলৈ ডিব্ৰুগড়ত উপস্থিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস

ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় জিলাৰ বান পৰিস্থিতিৰ সবিশেষ বুজ লবলৈ উপস্থিত হয় অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী তথা ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী ৰণজিৎ কুমাৰ দাস। ডিব্ৰুগড়ত উপস্থিত হৈ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে পদব্ৰজে চহৰখনৰ থানা চাৰিআলি, এইচ. এচ ৰ'ড পৰিদৰ্শন কৰি বিগত কিছু দিনত মুষলধাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বান পৰিস্থিতিৰ সবিশেষ বুজ লয়। পৰিদৰ্শন



কালত মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসন আৰু পৌৰ নিগমৰ বিষয়ববীয়াসকলৰ সৈতে বৰ্তমানৰ বান পৰিস্থিতিত বিভাগীয়ভাবে লৈ থকা যাৱতীয় পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰে। স্থানীয় সাংবাদিকৰ সৈতে হোৱা মতবিনিময়ত অভিভাৱক মন্ত্ৰীগৰাকীয়ে বিগত কিছু দিনত একেধাৰে হৈ থকা তীব্ৰ বৰষুণ (দহ পৃষ্ঠাত চাওক)

# নিমাতীৰ বানাক্ৰান্তৰ কাষত অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে যোৰহাটৰ নিমাতীটো বছৰৰ প্ৰথমটো বানে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। যাৰ বাবে নিমাতীৰ কেইবাখনো গাৱৰ ৰাইজ আৰু পশু একেলগে বসবাস কৰিবলৈ বাধ্য হৈছে। অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদ, অসমৰ যোৰহাট জিলা সমিতিৰ এটা সজাতি দ'ল নিমাতীৰ বান পৰিস্থিতিৰ বোজ লোৱাৰ লগতে ভিতৰ ককিলা, ডাইনী গাওঁ, কুমাৰ গাওঁ, ন-আলি চিগা আদি কেইবাখনো গাৱৰ ৰাইজৰ বাবে সাধ্য অনুযায়ী কিছু সাহায্য বিতৰণ কৰে। জিলা সমিতিৰ বিষয়ববীয়া সকলে ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে আন সদাসয় ব্যক্তি সকলকো সাধ্য অনুযায়ী বানাক্ৰান্তক সহায় কৰিবলৈ আহ্বান জনায়। অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদ, অসমৰ যোৰহাট জিলা সমিতিৰ সভাপতি, সম্পাদক ক্ৰমে দীপজ্যোতি দাস আৰু অমৃতপ্ৰান দাস, সহ সম্পাদক অজয় দাস, ৰবি হাজৰিকা, কাৰ্যনিৰ্বাহক সদস্য দিগন্ত ৰহিদাস আৰু নিমাতী আঞ্চলিক সমিতিৰ সভাপতি উজ্জ্বল জ্যোতি দাসে এই উদ্যোগত বিশেষ পদক্ষেপ লয়। অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদ অসমৰ যোৰহাট জিলা সমিতিৰ এই পদক্ষেপক বিভিন্ন জনে সলাগ জনায়।

# চচলত কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান



ৰঙিলী বাৰ্তাসেৱা- চচল শতদল শাখা সাহিত্য সভাৰ উদ্যোগত ৰবীন্দ্ৰ নাথ দাস সভাগৃহত হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু আনুসাংগিক বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতাৰে উত্তীৰ্ণ হোৱা কৃতি ছাত্ৰ-ছাত্ৰীসকলৰ এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। চচল শতদল শাখা সাহিত্য সভাৰ সভাপতি তথা সাহিত্যিক থানেশ্বৰ মালাকাৰৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিচাপে পশু চিকিৎসা বিভাগৰ গৱেষণা সঞ্চালক শিক্ষাবিদ ড° প্ৰবোধ বৰা আৰু বিশিষ্ট অতিথি হিচাপে ডিমৰীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শিক্ষাবিদ ৰামৰচন ভৰালী উপস্থিত থাকে। দুয়োগৰাকী শিক্ষাবিদে কৃতি ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে নিজৰ কেৰিয়াৰ গঢ়াৰ বাবে বহু কেইটা উল্লেখনীয় দিশ বিশ্লেষণ কৰি ভৱিষ্যতে যাতে এজন সফল ব্যক্তি হিচাপে সমাজত এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হয় এই ক্ষেত্ৰত বহু কেইটা উল্লেখনীয় দিশ বিশ্লেষণ কৰি ছাত্ৰ-ছাত্ৰীসকলক মোহাচ্ছন্ন কৰি তুলে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অলিস্মিতা মজুমদাৰ, অভিলাষা বৰ্মন, দিব্যান জ্যোতি বৰা, ভাৰ্গৱ শৰ্মা, নয়নমণি হালৈ, ঋষভ বৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্ব লাভ কৰা শতাব্দী টেৰণপি, কৃষ্টি কংকনা তালুকদাৰ, ৰীধিকা ভৰদ্বাজ, অংশুমান কাকতি, হীৰকজ্যোতি কাকতি, জুমন চন্দ্ৰ বৰ্মন, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বিষয়ত পি এইচ ডি ডিগ্ৰী লাভ কৰা কৰ্ষিকা মহন্ত, এচিয়াই ইনষ্টিটিউটত অৱ টেকনলজিৰ পৰা সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা উদ্বীপ্ত হাজৰিকা, চেইন্ট জেভিয়াৰ্ছ বিশ্ববিদ্যালয় ভুবনেশ্বৰৰ পৰা সোণৰ পদকেৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা খ্যাতি কাশ্যপ আৰু নেপালত অনুষ্ঠিত

(দহ পৃষ্ঠাত চাওক)

# ৰাজ্যত বৃদ্ধি পাইছে মহিলাৰ বিৰুদ্ধে অপৰাধ - আপ




ৰঙিলী বাৰ্তাসেৱা- "বিগত কেইবামাহ ধৰি অসমত সঘনে নাৰী নিৰ্যাতনৰ ঘটনা সংঘটিত হৈছে। ৰাজ্যখনত ধাৰাবাহিকভাৱে মহিলাৰ বিৰুদ্ধে অপৰাধ, অত্যাচাৰ, বলাৎকাৰ আদিৰ ঘটনাই চৰম পৰ্যায় পাইছে। বিগত আঠ মাহত প্ৰায় ছয়শ নাৰী নিৰ্যাতন আৰু বলাৎকাৰৰ ঘটনা সংঘটিত হৈছে। এনে বৰ্ধিত অপৰাধমূলক ঘটনা অসমৰ সমাজ জীৱনৰ বাবে অতি চিন্তনীয় বিষয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ গৃহ বিভাগ তথা প্ৰশাসনৰ দুৰ্বলতাৰ সুযোগ লৈ এনেধৰণৰ ঘটনা বৃদ্ধি পাইছে। পূৰ্বে সংঘটিত ধৰ্ষণ, নিৰ্যাতনৰ বিৰুদ্ধে প্ৰশাসনে ক্ষিপ্ৰতাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰাৰ বাবেই এনেধৰণৰ

(দহ পৃষ্ঠাত চাওক)

# নিচাযুক্ত ঔষধৰ ব্যৱহাৰ প্ৰতিৰোধ



ৰঙিলী বাৰ্তাসেৱা- ল'ৰা-ছোৱালীৰ মাজত নিচাযুক্ত ঔষধ আৰু ৰাগিয়াল সামগ্ৰীৰ ব্যৱহাৰ প্ৰতিৰোধ আৰু এইবোৰৰ অবৈধ সৰাবৰাহ ৰোধৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ বাবে দৰং জিলাই ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠত্ব প্ৰদৰ্শনকাৰী জিলাৰ সন্মান লাভ কৰিছে। ৩০ জুনত নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগে নাৰ্কোটিকচ্ কণ্ট্ৰোল ব্যুৰোৰ সহযোগত আয়োজন কৰা এক অনুষ্ঠানত দৰঙৰ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰাইৰ পৰা এই সফলতাৰ বাবে প্ৰশস্তি পত্ৰ গ্ৰহণ কৰে। অনুষ্ঠানত এই সন্মান লাভ কৰা দৰং অসমৰ একমাত্ৰ জিলা। এই সন্মান গ্ৰহণ কৰি দৰঙৰ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে কয় যে, "দৰং জিলাত নিচাযুক্ত ঔষধ আৰু ৰাগিয়াল সামগ্ৰীৰ ব্যৱহাৰ প্ৰতিৰোধ আৰু এইবোৰৰ অবৈধ সৰাবৰাহ ৰোধৰ বাবে আমাৰ প্ৰচেষ্টা অব্যাহত আছে। উক্ত সন্মান লাভ কৰি আমি আনন্দিত হৈছোঁ। দৰং জিলাই লাভ কৰা এই স্বীকৃতিয়ে অধিক আন্তৰিকতা আৰু দায়বদ্ধতাৰে এই ক্ষেত্ৰত কাম কৰি যাবলৈ আমাক অনুপ্ৰেৰণা যোগাব"। উল্লেখ্য যে ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগে নাৰ্কোটিকচ্ কণ্ট্ৰোল ব্যুৰোৰ সৈতে ল'ৰা -ছোৱালীৰ মাজত নিচাযুক্ত ঔষধ আৰু ৰাগিয়াল সামগ্ৰীৰ ব্যৱহাৰ প্ৰতিৰোধ আৰু এইবোৰৰ অবৈধ সৰাবৰাহ ৰোধৰ বাবে যুটীয়াভাৱে প্ৰস্তুত কৰা কৰ্মসূচী ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰকাশ কৰিছিল। সমগ্ৰ দেশজুৰি বিদ্যালয়-শিক্ষানুষ্ঠানসমূহৰ চৌহদৰ সমীপত নিচাযুক্ত সামগ্ৰীৰ বিক্ৰী ৰোধ কৰাৰ লগতে ল'ৰা-ছোৱালীক নিচাযুক্ত সামগ্ৰীৰ গ্ৰাসৰ পৰা ৰক্ষা কৰাৰ বাবে 'নিচাৰ বিৰুদ্ধে এক যুদ্ধ' শীৰ্ষক এই কাৰ্যসূচী প্ৰস্তুত কৰা হৈছিল। এই যুটীয়া কৰ্মসূচী ৰূপায়নৰ নিৰীক্ষণৰ বাবে জিলা দণ্ডাধীশ/জিলা আয়ুক্ত সকলক দায়িত্ব দিয়া হৈছিল। নিচাযুক্ত ঔষধৰ ব্যৱহাৰ আৰু অবৈধ সৰাবৰাহ বিৰোধী আন্তঃৰাষ্ট্ৰীয় দিৱসৰ সৈতে সংগতি ৰাখি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগে নাৰ্কোটিকচ্ কণ্ট্ৰোল ব্যুৰোৰ সহযোগত আয়োজন কৰা অনুষ্ঠানত এই কৰ্মসূচী ৰূপায়নত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা দেশৰ কেইবাখনো জিলাক 'শ্ৰেষ্ঠত্ব প্ৰদৰ্শনকাৰী জিলা' হিচাপে নিৰ্বাচিত কৰি প্ৰশস্তি পত্ৰ প্ৰদান কৰা হয় । ইয়াৰ মাজত দৰং জিলাও আছে। দৰঙৰ জিলা আয়ুক্তই বিজ্ঞান ভৱনত জিলাখনৰ এই সফলতাৰ বাবে প্ৰশস্তি পত্ৰ গ্ৰহণ কৰে।

# মহুৰামুখ বংকোৱালৰ মথাউৰি পৰিদৰ্শন মন্ত্ৰী পীযুষ হাজৰীকাৰ

ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই গোলাঘাট জিলাৰ নুমলীগড়ৰ সমীপৰ মহুৰামুখ বংকোৱালত পুৰা মথাউৰি ছিঙাৰ ফলত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে জলমগ্ন কৰা অঞ্চল পৰিদৰ্শন কৰি সামগ্ৰিক পৰিস্থিতি বুজ লোৱাৰ লগতে স্থানীয় ৰাইজৰ লগত মত বিনিময় কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে লাইফবোটৰ সহায়ত মথাউৰিৰ ছিঙা অংশৰ সমীপত উপস্থিত হৈ সেই স্থান পৰিদৰ্শন কৰে আৰু জলসম্পদ বিভাগক



জৰুৰীকালীন ব্যৱস্থা গ্ৰহণ কৰি মথাউৰিটোৰ মেৰামতিৰ কাম আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি মথাউৰিৰ স্পৰ্শকাতৰ অঞ্চলসমূহতো প্ৰতিৰোধৰ কাম হাতত লোৱা হ'ব বুলি প্ৰকাশ কৰে।

# ভৰলুমুখ থানাৰ উদ্যোগত সজাগতা সভা




ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ কুমাৰপাৰাস্থিত শান্তি সভা প্ৰাংগনত ভৰলুমুখ থানাৰ উদ্যোগত তিনিখন নতুন আইন প্ৰৱৰ্তন আৰু ন্যায়িক ব্যৱস্থাৰ ওপৰত ৰাইজৰ উপকাৰিতাৰ বিষয়ে এখন সজাগতা সভা অনুষ্ঠিত কৰে। উক্ত সভাত বিশিষ্ট অধিবক্তা সত্যেন শৰ্মাৰ সভাপতিত্বত ভৰলুমুখ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰা, জালুকবাৰীৰ এ চি পি এছ সুভাদৰ্শনী আই পি এছ, ভৰলুমুখৰ নাগৰিক কমিটীৰ সভাপতি জগদীশ দাস, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ভৱানী বৰা, ভৰলুমুখৰ নাগৰিক কমিটীৰ যুটীয়া সম্পাদক হেমেন শৰ্মা, ১৯ নং ৱাৰ্ডৰ পাৰিষদ ব্ৰিজেছ ৰায়কে আদি কৰি প্ৰায় ৫০ জন মান লোক উপস্থিত আছিল। উক্ত সভাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা ভৱানী বৰাই এক জুলাই মাহৰ পৰাই দেশত প্ৰৱৰ্তন হ'ব লগীয়া তিনিখন আইন ক্ৰমে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ভাৰতীয় ন্যায় সংহিতা, আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম, আইনৰ বিষয়ে ৰাইজৰ আগত সুন্দৰভাৱে উপস্থাপন কৰে।

# সকলো প্ৰভুৰ ইচ্ছা

**শৈলেন কুমাৰ, মিৰ্জা**

সংসাৰত য'ত যিমান কুকৰ্ম আমি কৰো সকলো প্ৰভুৰ ইচ্ছা নে আমাৰ স্বাৰ্থ । প্ৰভুৰো কিবা ইচ্ছা থাকিব পাৰে জানো? ইচ্ছা কাৰ সৃষ্টি, ইচ্ছা য'ত থাকে কামনা আৰু স্বাৰ্থ। প্ৰভু এক উচ্চতম ব্যাখ্যা আৰু ইচ্ছা হ'ল নিম্নগামীতা। জীৱনত সাৰ্থকতা



নাথাকিলে, নিজে সজাই লোৱা বন্দীত্বৰ মেৰপেছৰ পৰা উদ্ধাৰ হব নোৱাৰি প্ৰভুৰ দোহাই দি আমি নিজস্ব স্বাৰ্থ সিদ্ধিৰ প্ৰয়াস কৰো। কিন্তু প্ৰভুৰ বিন্দু এটাৰ সমান হোৱাৰও আমাৰ যোগ্যতা নাই। পৃথিৱী প্ৰভুৰ সৃষ্টি, জীৱজন্তু প্ৰভুৰ সৃষ্টি গতিকে সকলো প্ৰভুৰ ইচ্ছা। সচাঁকৈয়ে সকলো প্ৰভুৰ ইচ্ছানে? আমাৰ স্বাৰ্থলোভী কামনাৰ বলি ধ্বংসমুখী পৃথিৱীখনো প্ৰভুৰ ইচ্ছানে? জীৱশ্ৰেষ্ঠৰ অত্যাচাৰৰ কৰলত নিশেষ হোৱা বিভিন্ন প্ৰজাতিও প্ৰভুৰ ইচ্ছানে? প্ৰভুক আমি নিজস্ব স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰো। প্ৰভু হ'ল মানুহৰ মনেসজা এটা কল্পনা। যাৰ আৰত আমি সমস্ত কুকৰ্ম কৰাৰ লাইচেঞ্চ পাওঁ।

প্ৰভু মানে মনোৰঞ্জন, ৯০, ৮০ দশকৰ প্ৰভুক যেতিয়া আমি টিভিত প্ৰত্যক্ষ কৰিছিলোঁ তেতিয়া কেনেকুৱা আছিল আৰু আজি আধুনিক যুগৰ প্ৰভুক যদি আমি টিভিত প্ৰত্যক্ষ কৰো তেতিয়া কেনেকুৱা দেখিবলৈ পাওঁ। এতিয়াৰ প্ৰভুৰ শৰীৰ হাইলাখ bodybuilder টাইপ। আগৰ দিনৰ প্ৰভুৰ মুখৰ বাক্যত শালীনতা আছিল বৰ্তমানৰ প্ৰভুৰ মুখত অশালীন বাক্য । হিন্দী চলচিত্ৰ জগতৰ আদি পুৰুষ চিনেমাখন চালে বৰ্তমানৰ প্ৰভুৰ চৰিত্ৰৰ উমান পোৱা যায়। মুঠতে সময় সলনি হ'লে প্ৰভুৰ চৰিত্ৰ আৰু বাক্য সলনি হৈ পৰে। আমি জীৱশ্ৰেষ্ঠ প্ৰভু এতিয়া আমাৰ হাতৰ মুঠিত, আমাৰ যিটো ইচ্ছা আমি প্ৰভুক তেনেকুৱা আকাৰ দিব পাৰো। আমি ডাঙৰ বিলাসী মঠমন্দিৰ সাঁজি উলিয়াব পাৰো, তাত আমি প্ৰভুক উচ্চ আসনত বহুৱাই প্ৰাণপ্ৰতিষ্ঠা কৰিব পাৰো।

সকলো যে প্ৰভুৰে ইচ্ছা, সঁচাকৈ সকলো প্ৰভুৰে ইচ্ছানে? প্ৰভুৰ বাস্তৱিক অৰ্থ আমি বুজিবলৈ আগ্ৰহীনে? নে আমি কেৱল অন্ধভক্তৰ দৰে কোনোবাই আমাক প্ৰভুৰ ধাৰণা এটা দিছে তাকে আমি অন্ধহৈ অনুসৰণ কৰি যাম। যিটো সময়ত সমগ্ৰ বিশ্ব হিংসা, যুদ্ধবিগ্ৰহ আৰু অন্ধকাৰৰ মাজত ডুব গৈ আছিল সেইসময়ত ভাৰতবৰ্ষই একমাত্ৰ দেশ আছিল যি দেশে সমগ্ৰ বিশ্বক শান্তিৰমাৰ্গ দেখুৱাইছিল। সেয়া একমাত্ৰ সম্ভৱ হৈছিল আমাৰ যুগযুগান্তৰৰ সাধনা আৰু তপস্যাৰ ফলত, ভাৰতবৰ্ষৰ এই পবিত্ৰ ভূমিতেই শ্ৰীকৃষ্ণই পাণ্ডৱ পুত্ৰ অৰ্জুনৰ জৰিয়তে সমগ্ৰ মানৱজাতিক গীতাৰ জ্ঞান দিছিলে। কিন্তু এতিয়া সকলো পাহৰণিৰ গৰ্ভত। বৰ্তমান আমি কুৰীতিনীতি, কুসংস্কাৰক আমি আদৰ্শ হিচাপে লৈ কুকাৰ্য কৰাত ব্যস্ত।যাৰফলত উন্নতিৰ শিখৰত থাকিবলগীয়া ভাৰতবৰ্ষ আজি প্ৰায় সকলো দিশতে পিছপৰা। আমাৰ ভিতৰত থকা অমৃতময় জ্ঞানক গুৰুত্ব নিদি পশ্চিমৰ অলাগতীয়া পৰম্পৰা সভ্যতাক আকোঁৱালি লোৱা দেখা যায় ।আমাৰ মুৰ্খামি আমাৰ অজ্ঞানতা, অৱহেলা প্ৰভুৰ ইচ্ছা নহয়, প্ৰভুৰ ইচ্ছা সমগ্ৰ মানৱজাতিৰ উদ্ধাৰ আৰু কল্যাণ।

# সুপ্ৰভাত

**বিপ্লৱ শৰ্মা**



পুৱাৰ সতেজতা, সূৰ্যোদয় আৰু হেঙুলী আকাশ।
মন প্ৰাণ ভৰাই তোলা এক মধুৰ ক্ষণ।
এনে প্ৰকৃতিত হেপাহবোৰে দিঙা মেলে।
সেউজীয়া বোৰ দেখি এনে লাগে যেন
মই মুক্ত এই প্ৰকৃতিৰ বুকুত
আৰু মনটোৰে জঁপিয়াই ফুৰিব বিচাৰে
ঠিক সেউজীয়া ফৰিং টোৰ দৰেই।
চিপ কৈ নামি অহা বৰষুণৰ টোপালবোৰ
গাড়ীত পৰোতে এনে লাগিল যেন
বাৰিষাই মোক আদৰণি হে জনাইছিল ।
সুপ্ৰভাত

# মহানায়ক ৰাহুল দ্ৰাবিড়ৰ মহানুভৱতা আৰু এজন অসমীয়া

**মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি**



বিশ্ব ক্ৰিকেটৰ মহানায়ক সকলৰ ভিতৰত ধ্ৰুপদী বেটাৰ ৰাহুল দ্ৰাবিড় অন্যতম। ৰাহুল দ্ৰাবিড় কেৱল এটা নাম নহয়, বিশ্ব ক্ৰিকেট ইতিহাসৰ এটা সোণালী অধ্যায়। ক্ৰিকেট ইতিহাসত যিদৰে দ্ৰাবিড়ৰ বেটিং শৈলী যুগ যুগান্তৰলৈ চৰ্চিত হৈ থাকিব, সেইদৰে দ্ৰাবিড়ৰ শান্ত-সৌম্য আকৰ্ষণীয় ব্যক্তিত্বও চিৰকাল বন্দিত হৈ থাকিব। অকল ক্ৰিকেটতেই কিয়, বিশ্ব ক্ৰীড়াৰ বিশাল প্ৰাংগণত দ্ৰাবিড়ৰ দৰে নিৰহংকাৰি, অমায়িক, ভদ্ৰ আৰু শান্ত-সৌম্য প্ৰকৃতিৰ ক্ৰীড়াবিদ বিৰল।

দ্ৰাবিড়ে বিশ্ব ক্ৰিকেটক কি দিয়া নাই? ক্ৰিকেট কেৱল বেট-বলৰ খেল নহয়, ক্ৰিকেটৰ ব্যাকৰণ আয়ত্ব কৰিব পাৰিলেই ক্ৰিকেটাৰ হ'ব নোৱাৰি যদিহে নাথাকে অপৰিমেয় ধৈৰ্য আৰু সহ্য। ঘণ্টাৰ পিছত ঘন্টা ধৰি বাইছ গজৰ পিটছত এঠাৰ দৰে লাগি থাকিবলৈ জানো দ্ৰাবিড়েই শিকাই থৈ যোৱা নাই? ক্ৰিকেটে দ্ৰাবিড়ক যিমান দিছে, ক্ৰিকেটক দ্ৰাবিড়ে তাতকৈ অধিক দিছে। বিশ্ব ক্ৰিকেট দ্ৰাবিড়ৰ ওচৰত ঋণী। সেইবাবেই বিশ্বকাপৰ ৰাজমুকুট পিন্ধাৰ পিছত অধিনায়ক ৰোহিত শৰ্মাই অকপটে স্বীকাৰ কৰি কৈছিল- "এই মুকুট আমাতকৈও অধিক গুৰুত্বপূৰ্ণ আছিল প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ৰ বাবে। দ্ৰাবিড়ৰ হাতত বিশ্বকাপ তুলি দিবলৈ আমি প্ৰাণপনে চেষ্টা কৰিছিলোঁ।" ৰাজমুকুট হাতত লৈ সমগ্ৰ খেলুৱৈৰে জীৱনত কোনোদিনে নকৰা আনন্দত-ফুৰ্তিত যিদৰে দ্ৰাবিড় ফাটি পাৰিছিল, সি যেন এই কথাকেই প্ৰতিপন্ন কৰে।

ক্ৰিকেট ফিল্ডত দ্ৰাবিড়ৰ যিদৰে এখন অপ্ৰতিৰোধ্য 'ৱাল' আছিল, সেইদৰে ড্ৰেছিং ৰুমত আছিল এখন বিশাল আকাশস্বৰূপ। যিখন আকাশৰ তলত সকলো নিৰাপদ। সেইজন জানো দ্ৰাবিড়েই নাছিল যিয়ে বিশ্ববিদ্যালয়ে প্ৰদান কৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰত্যাখ্যান কৰি বিনম্ৰতাৰে কৈছিল- "মোৰ মা আৰু পত্নীক ডক্টৰেট ডিগ্ৰী ল'বলৈ অহোৰাত্ৰী কষ্ট কৰা দেখিছিলোঁ, কিন্তু মইতো তেনে একো কৰা নাই?"- চোলা-! তেনে এগৰাকী বিৰল ব্যক্তিত্বসম্পন্ন ক্ৰিকেটাৰক এবাৰ কাষৰ পৰা লগ পাবলৈনো কাৰ মন নাযায়! দ্ৰাবিড়ৰ সান্নিধ্য লাভ কৰাৰ তেনে এটা তৃষ্ণাতুৰ মন লৈয়ে এদিন অসমৰ পৰা বাংগালোৰলৈ যাত্ৰা কৰিছিল প্ৰসিদ্ধ অসমীয়া বিজ্ঞানী ডঃ পদ্মাপাণি। সংগ দিছিল বাংগালোৰস্থিত সুলেখক প্ৰীতি এচ অৰ্জুনাগী আৰু তেওঁৰ স্বামীয়ে। দ্ৰাবিড়ৰ ঘৰ বাংগালোৰত। প্ৰীতিও বাংগালোৰৰ স্থানীয় বাসিন্দা যদিও তেওঁলোকে দ্ৰাবিড়ৰ ঘৰ চিনি নাপায়। তাতে মনত ভয়- এজন বিশ্ব বিখ্যাত খেলুৱৈয়ে জানো অচিনাকি লোকক দেখা কৰিব? ৰক্ষীয়েও জানো ইমান সহজতে অনুমতি দিব? তথাপিও ডঃ পদ্মপাণিৰ দুচকুত দ্ৰাবিড়ক এবাৰ লগ পোৱাৰ অদম্য হাবিয়াস দেখি ওলাই গ'ল দ্ৰাবিড়ৰ ঠিকনা বিচাৰি।

২০০৩ চন; সেই সময়ত আজিৰ দৰে মোবাইল-ইণ্টাৰনেট সহজলভ্য নাছিল যে তাৰ সহায়ত দ্ৰাবিড়ৰ ঠিকনা সহজতে উলিয়াব পাৰিব। গতিকে কেৱল মানুহক সুধি সুধি তেওঁলোক আগবাঢ়িছিল। কোনোৱে দ্ৰাবিড়ৰ ঘৰৰ ঠিকনা চিনি নাপায়, কোনোৱে ভুল ঠিকনা দিয়ে, কোনোৱে ভেকাহি মৰি উঠে। এইদৰে ঘূৰি ঘূৰি লাভ কৰা অভিজ্ঞতাই লেখক দম্পতিক (ছয় পৃষ্ঠাত চাওক)

# সূৰ্যাস্তৰ শেষত

**মানসী মিশ্ৰ**



ৰাতিপুৱাৰ সূৰ্যোদয়
জগতখনে সাৰ পায়
টিক টিক ৰঙাকৈ বেলিটিৰে
আবেলি সূৰ্যাস্তত মাৰ যায়
পুৱাতেই উৰি উৰি যোৱা
চৰাইজাক ঘৰমুৱা হয়।
হাতৰ মুঠিত সপোন বান্ধি
যিজাক মানুহ ওলাইছিল
সেইজাক মানুহো একে বাটে
চিনাকি ঘৰলৈ উভতি যায়
এনেকৈয়ে হাতৰ মুঠিত সপোনে
বাস্তৱতাক সাৱতি লয়
নতুন আশাৰ মাজে মাজে
দুখ বুলি ভবা কথাবোৰ
সুখৰ শাৰীলৈ সলনি হয়।

# গাড়ী চালকৰো এখন হৃদয় আছে



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**

এগৰাকী গাড়ী চালকৰ মনৰ কথাখিনি জানিবলৈ পাই মই এই লেখাটো আগবঢ়ালোঁ। অই ড্ৰাইভাৰ তোক ইয়াত পাতখন পাৰি দিলোঁ ভাত খা। ল'ৰাজনে কি কৰো নকৰো কৰি ভাত খাই মুখ হাত ধুই আঁতৰি আহিল আৰু ভাড়া কৰি নিয়া যাত্ৰীগৰাকীলৈ বাহিৰত অপেক্ষা কৰিলে। সেই ব্যক্তি গৰাকীও ভাত খাবলৈ গৈ তেওঁ লগত যোৱা ৰমেনক নামৰ গাড়ী চালকজনৰ বিচাৰিলে কিন্তু এজন ব্যক্তিয়ে ভাতখোৱা বুলি কোৱাত তেওঁ ভাত খাই উঠি সেই নিমন্ত্ৰণ কৰা মানুহ ঘৰৰ পৰিয়ালক মাত লগাই গুছি আহিল। বাহিৰত ৰমেনক দেখি তেওঁ গাড়ীত উঠিল। গাড়ী চলাই থাকোঁতে লক্ষ্য কৰিলে ৰমেন অকণমান যেন অন্যমনস্ক হৈ আছে। আহোঁতে যেনেকুৱা তাৰ চেহেৰাৰ ৰং যাওঁতে তেনে নেদেখি যাত্ৰীজনে সুধিলে তেওঁৰ কিবা আচৰণত বেয়া পালে নেকি??

তেতিয়া গাড়ীচালক ৰমেনে সকলো কথা খুলি ক'লে। তেওঁলোক গাড়ীচালক তাত সিহঁতে কোনো আক্ষেপ নাই, কমই ধৰ্ম কাম কৰিছে ভাত খাইছে। কিন্তু মানুহবোৰৰ ব্যৱহাৰত দুখ লাগে উৎসৱ অনুষ্ঠান আদিত গ'লে অনুভৱ কৰে কেনেকৈ সিহঁতৰ কৰ্মক নিম্নমানৰ বুলি কেনেকৈ বিভাজন কৰিছে। কথাখিনি শুনি সেই বিষয়াগৰাকীৰ দুখ লাগিল। তেওঁ ক'লে ঠিক আছে এতিয়াৰ পৰা বেলেগ নোৱাৰিলেও তেওঁ অন্ততঃ কোনো ব্যক্তিৰ ক্ষেত্ৰত তেনে কৰিলে সেই ব্যক্তি সকলৰ লগতে আহাৰ গ্ৰহণ কৰিব নহ'লে নোখোৱাকৈ গুছি আহিব।

কথা হ'ল কৰ্ম আৰু মানুহৰ বংশগত উপাধি আদিৰ ওপৰতো উচ্চ নীচ বিভাজন এতিয়াও আছে হয়তো অদূৰ ভৱিষ্যতেও থাকিব। মই নিজে দেখিছোঁ উচ্চ উপাধিৰ মানুহে সদায় আগত আসনখন দিয়ে। দিব লাগে কিন্তু চাব লাগিব তেওঁ সেই আসনৰ যোগ্য নে? যদি এগৰাকী মদাহী হয় তেওঁ উচ্চ বংশত জন্মিলেও সেই স্থান দিব নালাগে। প্ৰযুক্তিবিদ্যাৰ যুগত সময়ৰ লগে লগে কিছুমান ঋণাত্মক চিন্তাধাৰা এৰিব লাগিব আৰু কিছু সংযোগ কৰিব লাগিব।

## চিন্তাৰ তৰঙ্গত নাচে সময়

**যমুনা দুলু বৈশ্য, শুৱালকুছি**



তোমাৰ স্পৰ্শত এবুকু মৰম ভালপোৱা  
আকুলতাৰ অনুভূতিৰে জীৱন ঝংকাৰ  
চিন্তাৰ তৰঙ্গত নাচে সময়ৰ আহ্বান  
ভাল কামৰ নাম সদায় আছে  
মনৰ এলান্ধু গুচাবলৈ হৃদয় কৰা নিকা  
মাটি, আকাশ, পোহৰ, প্ৰকৃতিৰ স'তে,  
বিচাৰি চোৱা, সাগৰৰ গভীৰতাৰে এধানি তৃষ্ণা  
মনৰ সুন্দৰতাই আনকো ভাল পাব পাৰি  
টোপনিৰ ভাও জোৰা মানুহক জগোৱা টান  
কষ্ট কৰিলে এদিন ভাল ফল পাবা  
এলাহক নিতে শত্ৰু বুলি চোৱা  
এন্ধাৰৰ মাজতো যি জনে পোহৰ বিচাৰি পায়  
দেখিবা হৃদয়ত জোনাক জিলিকি  
জোনাকৰ পোহৰে কৰিব আপোন  
সেয়া হ'ব জীৱনৰ বাবে মহা ভিটামিন  
পৰিবেশ ও হ'ব সুন্দৰতাৰে সুন্দৰ  
তেতিয়া জাগিব ৰামধেনুৰ ৰং ।

অণুগল্পঃ

## বান্ধোন

**আয়নাল হক, ধুবুৰী**

"পৰ জনমৰ শুভ লগনত..." - দুধাৰি চকুলো বৈ গ'ল তাৰ।

"সোণ, হৈ যোৱাটো জানো নোহোৱা কৰিব পাৰিবি? আয়ুস চাগৈ তাইৰ সিমানেই আছিল। আজি দুমাহ পাৰ হ'ল তাই সিপুৰীলৈ যোৱা। ল'ৰাটোৰ মুখলৈ চাই তই ধৈৰ্য নধৰ কিয়?"

"মা, মই নহ'লেও তই তাক ডাঙৰ কৰিব পাৰিবিনে?"

"কিন্তু তই নহ'লে মোৰ কি অৱস্থা হ'ব এবাৰ ভাবি চাইছনে?"

# মহানায়ক ৰাহুল দ্ৰাবিড়ৰ

অতিষ্ঠ কৰি তুলিছিল। কিন্তু ডঃ পদ্মপাণিয়ে নেৰা নেপেৰাকৈ লাগি থাকিল। বিচাৰিয়ে আছে, বিচাৰিয়ে আছে। অৱশেষত এজন দোকানীয়ে দিলে দ্ৰাবিড়ৰ ঘৰৰ ঠিকনা। ডঃ পদ্মপাণিৰ মুখত যেন পূৰ্ণিমাৰ চন্দ্ৰমাইহে স্থান ল'লেহি। দোকানীজনে ক'লে যে দ্ৰাবিড়ক লগ পোৱাটো জটিল হ'ব। কিয়নো তেওঁৰ মাক অত্যন্ত কঠোৰ। সহজতে কাকো লগ কৰিব নিদিয়ে। ডঃ পদ্মপাণিৰ সেইবোৰলৈ গুৰুত্ব নাই। "ঘৰৰ কাষ পাইছোঁহি যেতিয়া কিবা এটা হেস্ত-নেস্ত কৰিহে যাম।"- এই মনোভাব।

তিনিও গৈ দ্ৰাবিড়ৰ ঘৰৰ সমুখত উপস্থিত হ'ল। দেখি আচৰিত যে গেটত নাই কোনো ৰখীয়া। কলিং বে'ল বজালে। এগৰাকী মহিলা ওলাই আহিল। স্থানীয় ভাষাত প্ৰীতিয়ে সুধিলে- "এইটো মিঃ ৰাহুল দ্ৰাবিড়ৰ ঘৰ হয়নে?" "হয়, কিন্তু তেওঁ বৰ্তমান ঘৰত নাই।"- মহিলাগৰাকীয়ে উত্তৰ দিলে। "আমি বাৰু কাইলৈ আহিলে তেওঁক লগ পামনে?"- প্ৰীতিয়ে বৰ আগ্ৰহেৰে সুধিলে। তেওঁ উত্তৰ দিলে- "কাইলৈ খুব পুৱাই দ্ৰাবিড় দক্ষিণ আফ্ৰিকালৈ বুলি উৰা মাৰিব। ইতিমধ্যে বিশ্বকাপৰ দলটোৰ অন্য সকলো সদস্য গ'লগৈ। কিন্তু অত্যন্ত এৰাব নোৱৰা অসুবিধাৰ বাবে তেওঁ যাব নোৱাৰিলে।" কথাষাৰ শুনি তেওঁলোক হতাশ হ'ল, বিশেষকৈ ডঃ পদ্মপাণি। অৱশেষত তেওঁলোকে দ্ৰাবিড় উভতি নহালৈকে গেটৰ বাহিৰতে অপেক্ষা কৰি থকাৰ সিদ্ধান্ত ল'লে।

তেতিয়া সন্ধ্যা ৭ বাজিছে। তদুপৰি দ্ৰাবিড়ৰ ঠিকনা বিচাৰি বিচাৰি তেওঁলোক ভাগৰিও পৰিছে। সেয়ে তেওঁলোকে নিকটৱৰ্তী হোটেল এখনত চাহ-তাহ খাই আকৌ এঘণ্টা পিছত উভতি অহাৰ সিদ্ধান্ত ল'লে। সেই মতে এঘণ্টা পিছত আহিল, কিন্তু তেতিয়ালৈ দ্ৰাবিড় আহি পোৱাই নাই। সময়বোৰ গৈ থাকিল, নিশা গভীৰ হৈ আহিল; কিন্তু দ্ৰাবিড়ৰ নাহেহে নাহে। এনেদৰে অপেক্ষা কৰাৰ অন্তত দেখিলে এখন গাড়ী দ্ৰাবিড়ৰ ঘৰ অভিমুখে আহি আছে। গাড়ীখন যিমানেই আগুৱাই আহি আছে, সিমানেই তেওঁলোকৰ হৃদস্পন্দন বাঢ়ি আহিছে। চাওঁতে চাওঁতে গাড়ীখন আহি গেটৰ কাষত ৰ'ল। হয় হয়, সেইজন দ্ৰাবিড়েই হয়। চালকৰ আসনত স্বয়ং ৰাহুল দ্ৰাবিড়; অকলশৰে। গেটখন খোল খালে, দ্ৰাবিড়ৰ গাড়ী সোমাই গ'ল। পিছে পিছে ডঃ পদ্মপাণি আৰু অৰ্জুনাগী দম্পতি। সময় তেতিয়া নিশা ১১ঃ৩০।

মহিলাগৰাকীয়ে তেওঁলোকক দেখি সুধিলে- "আপোনালোকে এই নিশালৈকে অপেক্ষা কৰিয়েই আছেনে?" তেওঁলোকৰ কথা-বতৰা শুনি ঘৰৰ ভিতৰৰ পৰা এজন আদহীয়া ব্যক্তি ওলাই আহিল। আটায়ে তেওঁক নমস্কাৰ জনালে। তেওঁ দ্ৰাবিড়ৰ দেউতাক। অত্যন্ত ভদ্ৰ আৰু অমায়িক ব্যক্তি। মুখত হাঁহি এটা ওলমিয়ে থাকে। প্ৰীতিয়ে ডঃ পদ্মপাণিক চিনাকি কৰি দি ক'লে- "এখেত ডঃ পদ্মপাণি। অসমৰ এগৰাকী ডাঙৰ অফিচাৰ আৰু প্ৰখ্যাত বিজ্ঞানী। আগন্তুক বিশ্বকাপৰ বাবে দ্ৰাবিড়ক শুভেচ্ছা জনোৱাৰ উদ্দেশ্য অসমৰ পৰা আহিছে।"

তেওঁ বৰ আন্তৰিকতাৰে আটাইকে ভিতৰলৈ লৈ গ'ল। বহিব দিলে, চাহ-পানীৰে আপ্যায়ন কৰিলে। ডঃ পদ্মপাণিয়ে দ্ৰাবিড়লৈ বুলি এখন চিঠি লৈ গৈছিল। চিঠিখন দেউতাকৰ হাতত তুলি দিলে; তেওঁ পঢ়ি চালে। তেওঁৰ চকু-মুখ অনন্ত প্ৰশান্তিৰে দিপ্তীমান হৈ উঠিল। তেওঁ ক'লে- It's only with blessings of people like you my son is able to achieve such a success in life."

দেউতাকে দ্ৰাবিড়ক মাতিলে। দ্ৰাবিড় ওলাই আহিল। প্ৰীতিয়ে ডঃ পদ্মপাণিক চিনাকি কৰাই দি ক'লে- "এখেত অসমৰ এজন ডাঙৰ চৰকাৰী অফিচাৰ আৰু ফৰেণ্সিক বিজ্ঞানী। সমাগত বিশ্বকাপৰ বাবে আপোনাক শুভেচ্ছা জনোৱাৰ হেঁপাহতে তেওঁ অসমৰ পৰা আহিছে। কিন্তু আপুনি ঘৰত নথকা বাবে গেটৰ বাহিৰত কেইবাঘণ্টা ধৰি থিয় দি আছিল।"

দ্ৰাবিড়ে স্বভাৱসুলভ সৰলতাৰে নমস্কাৰ জনালে। ডঃ পদ্মপাণিয়ে ক'লে- "মই অসমৰ পৰা আহিছোঁ। সমূহ অসমবাসীৰ হৈ মই আপোনাক শুভেচ্ছা জ্ঞাপন কৰিছোঁ যাতে আপোনালোকে দক্ষিণ আফ্ৰিকাৰ ভূমিত বিশ্ব বিজয় কৰি এশ কৌটি ভাৰতীয়ক গৰ্বিত কৰিব পাৰে।" এইবুলি কৈ তেওঁ দ্ৰাবিড়ৰ ডিঙিত ফুলাম গামোচা এখন পিন্ধাই দিলে।

মন পৰশা হাঁহি এটা মাৰি দ্ৰাবিড়ে ক'লে- "এইদৰে আপুনি গেটৰ সন্মুখত থিয় হৈ থকা বুলি জানি মই বৰ দুঃখিত। আপোনাৰ এই শুভেচ্ছা মোৰ বাবে আশীৰ্বাদস্বৰূপ। আপোনাক ধন্যবাদ জনাই লঘু নকৰোঁ। অসমবাসীক মোৰ কৃতজ্ঞতা জনালোঁ। অসমবাসী তথা ভাৰতবাসীৰ আশা-আকাংক্ষা পূৰ কৰিবলৈ নিজক সম্পূৰ্ণ উজাৰি দিম।"

নিশা ১০ঃ০০ বজাত তিনিজন অচিনাকি মানুহক দ্ৰাবিড়ে নিভাঁজ আন্তৰিকতাৰে সাক্ষাৎ দিলে। নিদিওঁ পাৰিলেহেঁতেন, কিয়নো পিছদিনা ঢল পুৱাতে তেওঁ উৰা মাৰিব লাগিব দক্ষিণ আফ্ৰিকা অভিমুখে। তাৰ বাবে হয়তো প্ৰস্তুতি এতিয়া বহু বাকী। কিন্তু মহান ব্যক্তি সদায়েই মহান। সুভাকাংশীৰ অকৃত্ৰিম মৰম আৰু শুভকামনাই তেওঁলোকৰ সফলতাৰ মূল আধাৰ।

মহানায়ক দ্ৰাবিড়ৰ সৈতে পোন্ধৰ মিনিটমান অন্তৰংগ আলাপ কৰি তিনিও ওলাই আহিল। লগত লৈ আহিল জীৱনত কশ্মিনকালেও পাহৰিব নোৱৰা এবুকু স্মৃতিৰ সঁফুৰা। অৰ্জুনাগী দম্পতি দ্ৰাবিড় আৰু দেউতাকৰ প্ৰশংসাত পঞ্চমুখ। ইফালে সমগ্ৰ অসমবাসীৰ হৈ দ্ৰাবিড়ক শুভেচ্ছা জনোৱাৰ সোণালী সুযোগ লাভ কৰি ডঃ পদ্মপাণিৰ এনে লাগিল তেওঁ যেন দ্ৰাবিড়ৰ ডিঙিত গামোচা আৰি দিয়া নাই, হাতত বিশ্বকাপৰ ট্ৰফিহে তুলি দি থৈ আহিল। দ্ৰাবিড় পৰিয়ালৰ আতিথ্য আৰু আচাৰ-ব্যৱহাৰত মুগ্ধ ডঃ পদ্মপাণিয়ে অৰ্জুনাগী দম্পতিক মাথোঁ ক'লে- "Now I know the source from where Rahul Dravid inherited his grace and dignity."

জনতাৰ চৰকাৰ myGOV মেৰী সৰকাৰ

সত্যমেব জয়তে
অসম চৰকাৰ
হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়

JANASANYOG- 428/24/7-July-24



## নাৰী সবলীকৰণৰ এক অবিৰত যাত্ৰা

# স্বনিৰ্ভৰ নাৰী

অসম চৰকাৰৰ ২০২১-২২ বৰ্ষৰ বাজেট ঘোষণা অনুসৰি ৰূপায়িত এক ধ্বজাবাহী আঁচনি

এই আঁচনিৰ অধীনত হস্ততাঁত খণ্ডৰ ব্যৱসায়ী আৰু উদ্যোগীসকলৰ পঞ্জীয়ন **১ জুলাই ২০২৪ তাৰিখৰ** পৰা আৰম্ভ কৰা হৈছে

স্বনিৰ্ভৰ নাৰী আঁচনিৰ অধীনত এতিয়ালৈকে সমগ্ৰ অসমৰ **৫,৬৪,৮১১গৰাকী** শিপিনীয়ে পৰ্টেলৰ জৰিয়তে তেওঁলোকৰ নাম পঞ্জীয়ন কৰিছে

যিসকল ব্যৱসায়ীয়ে স্বনিৰ্ভৰ নাৰী আঁচনিৰ অধীনত উপলব্ধ হস্ততাঁত উৎপাদিত বস্ত্ৰসামগ্ৰী ক্ৰয় কৰিব বিচাৰে, তেখেতসকলৰ বাবে পঞ্জীয়ন বাধ্যতামূলক

APPLY

হস্ততাঁত উদ্যোগীসকলৰ বাবে উন্নয়নী প্ৰকল্পত অগ্ৰাধিকাৰ প্ৰাপ্তিৰ বাবে স্বনিৰ্ভৰ নাৰী পৰ্টেলত পঞ্জীয়ন বাঞ্ছনীয়

ইতিমধ্যে শিপিনীসকলৰ পৰা **১৯,২৪,৭৫,৪৮২ টকা** মূল্যৰ ৫,৫৪,৮৯২সংখ্যক পৰম্পৰাগত বস্ত্ৰসামগ্ৰী ক্ৰয় কৰা হৈছে

## ব্যৱসায়ী আৰু উদ্যোগীসকলৰ পঞ্জীয়নৰ বাবে প্ৰয়োজনীয় নথিসমূহ

১ জি এছ টি পঞ্জীয়ন প্ৰমাণ-পত্ৰ
২ উদ্যম পঞ্জীয়ন নম্বৰ
৩ পান নম্বৰ
৪ অন্যান্য আনুষংগিক নথি

হস্ততাঁত খণ্ডৰ সৈতে জড়িত আগ্ৰহী ব্যৱসায়ী আৰু উদ্যোগীসকলে অনলাইন পৰ্টেল swanirbharnaari.assam.gov.inৰ জৰিয়তে ৩১ জুলাই ২০২৪ তাৰিখলৈকে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব

ক্ৰয় কৰা বস্ত্ৰসামগ্ৰীসমূহ আৰ্টফেড, অসম চৰকাৰৰ বেচা-কিনা নিগম আৰু বিভাগৰ জিলা আৰু মহকুমা পৰ্যায়ৰ কাৰ্যালয়সমূহৰ জৰিয়তে বিক্ৰী কৰি থকা হৈছে

সবিশেষ জানিবৰ বাবে আৰু পঞ্জীয়নৰ বাবে স্বনিৰ্ভৰ নাৰী আঁচনিৰ পৰ্টেল www.swanirbharnaari.assam.gov.in দৰ্শন কৰক

# নৱপ্ৰজন্ময়ে সংস্কাৰবোৰ মা, দেউতাকৰ পৰা গ্ৰহণৰ পৰিবৰ্তে গুগোলৰ পৰা লবলৈ আৰম্ভ কৰিছে

চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি




বৰ্তমান সময়ত আমি আমাৰ অতীতৰ তুলনাত বহু আগুৱাই যাবলৈ সক্ষম হৈছোঁ বুলি আমি সকলোবোৰ মানুহে মনে মনে ধাৰণা কৰিবলৈ ধৰিছো নহয়নে ? কাৰণ বৰ্তমান সময় বিজ্ঞান,প্ৰযুক্তিবিদ্যাৰ, ঔদ্যোগিক ক্ষেত্ৰতে আদি কৰি সকলোবোৰ দিশতে এক নতুনত্ব বিচাৰি পাবলৈ সক্ষম হৈছোঁ। ফলত আমাৰ অতীতৰ তুলনাত আমাৰ বিকাশৰ পথ আৰু অধিক সুদৃঢ় কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছোঁ। কিন্তু আমি যদি প্ৰতিটো ক্ষেত্ৰতে নিজস্বত্ব পৰিহাৰ কৰি আনৰ অনুকৰণ কৰিবলৈ আগবাঢ়ি যাওঁ তেন্তে এসময়ত গৈ আমি আমাৰ অস্তিত্বৰ বাবে এক ভাবুকিৰ সন্মুখীন হোৱাটো নিশ্চিত। আমাৰ ভাৰতৰ ইতিহাস বা ভাৰতীয় সভ্যতা বুলি কবলৈ গ'লে একেবাৰে বহুতো পুৰণি। গতিকে এজন মানুহৰ গোটেই জীৱন নিৰ্বাহৰ প্ৰণালী সমূহ আমাতকৈ বহু বছৰ বছৰ আগতেই আমাৰ দেশতে জন্ম গ্ৰহণ কৰা দেব পুৰুষ ,মহা পুৰুষ সকলে লিপিবদ্ধ কৰি গৈছে। আৰু বৰ্তমান সময়তো আমাৰ পূৰ্বপুৰুষ সকলৰ দ্বাৰা বিচাৰ কৰা প্ৰতিটো কথায় হুবহু ৰূপত সমানেই প্ৰয়োজ্জ হৈয়ে আছে। কিন্তু অতি দোষৰ বিষয় এইটোৱে যে, বৰ্তমান সময়ত উঠি অহা নৱপ্ৰজন্ময়ে সংস্কাৰবোৰ আমাৰ পূৰ্বপুৰুষ বা নিজ নিজ অভিভাৱক পৰা বা প্ৰকৃত অৰ্থত ভাৰতীয় সংস্কৃতিৰ, ভাৰতীয় সংস্কাৰবোৰ পৰা আয়ত্ত কৰাৰ পৰিবৰ্তে গুগোল বা ইন্টাৰনেটৰ মাধ্যমেৰে গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। আচলতে মই ইয়াতে এইটো কবলৈ যোৱা নাই যে,গুগোল বা ইন্টাৰনেটৰ প্ৰতিটো দিশে বেয়া বুলি। কিন্তু ভাৰতীয় সংস্কৃতি , সংস্কাবোৰৰ লগত কোনো স্বাৰ্থ জড়িত নাছিল। কিয়নো ভাৰতীয় সংস্কাৰত প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো বৰ্গৰ আৰু প্ৰতিটো জাতিৰ কেবল আত্ম উন্নতিৰ বাবে সমৰ্পিত আছিল। আনহাতে গুগোল বা ইন্টাৰনেটৰ মাধ্যমত এতিয়ালৈকে প্ৰতিটো ক্ষেত্ৰতে বহু স্বাৰ্থ জড়িত হোৱা দেখা যায়। আৰু য'ত প্ৰতিটো কথাতে স্বাৰ্থ জড়িত থাকে তাতে জ্ঞান প্ৰদানতকৈ স্বাৰ্থ পুৰণৰ প্ৰতিহে বেছিকৈ প্ৰাধান্য দিয়া দেখা যায়।

বৰ্তমান সময়ত এইটো একেবাৰে এশ শতাংশ শুদ্ধ কথা যে, লাহে লাহে কৰি আমাৰ নৱপ্ৰজন্ময়ে সংস্কাৰবোৰ মা, দেউতাকৰ পৰা গ্ৰহণৰ পৰিবৰ্তে গুগোলৰ পৰা লবলৈ আৰম্ভ কৰিছে। কাৰণ আমাৰ বৰ্তমানৰ অভিভাৱক সকলেওঁ এই ক্ষেত্ৰত সমানে সহাঁৰি আগবঢ়ায় গৈছে। কিয়নো সঁচা অৰ্থত কবলৈ গ'লে বৰ্তমান সময়ৰ অভিভাৱক সকলে কেবল গুগোল, ইন্টাৰনেটৰ মাধ্যমেৰে নিজ নিজ সন্তানবোৰৰ সুন্দৰ ভৱিষ্যত গঢ় লৈ উঠিব বুলি মনতে ধাৰনা কৰিবলৈ আৰম্ভ কৰি দিছে। কিন্তু ইন্টাৰনেটৰ মাধ্যমেৰে আমি কেৱল ভাল ভাল জ্ঞানবোৰকে আয়ত্ত কৰিবলৈ পাওঁ বুলি এইটো একেবাৰে আমাৰ ভুল ধাৰণা। কাৰণ গুগোল বা ইন্টাৰনেটৰ মাধ্যমত যিমানেই ভাল দিশ আছে তাতোকৈ বৰ বেয়া বেয়া দিশবোৰ অন্তৰ্নিহিত হৈ আছে নহয়নে ? কিন্তু ভাৰতীয় মহান সভ্যতা, সংস্কৃতি,আৰু ভাৰতীয় সংস্কাৰ সমূহত কেবল মাত্ৰ ভাল ভাল দিশবোৰে সন্নিবৃষ্ট হৈ আছে। সেয়েহে বৰ্তমান সময়ৰ অভিভাৱকৰে পৰা আৰম্ভ কৰি উঠি অহা নৱপ্ৰজন্ময়ে সংস্কাৰবোৰ ইন্টাৰনেট বা গুগোলৰ জৰিয়তে বিচৰাৰ পৰিবৰ্তে আমাৰ পূৰ্বপুৰুষ জৰিয়তে লিপিবদ্ধ কৰা গ্ৰন্থ সমূহত, পূৰ্বপুৰুষৰ দ্বাৰা মাৰ্গ দৰ্শন কৰি থৈ যোৱা পথবোৰৰ অনুকৰণ কৰি যাবলৈ চেষ্টা অব্যাহত ৰখা উচিত হ'ব।

## লিমাৰিক



**উমা দেৱী**

(১)
নৈ পৰীয়ালোক আশ্ৰয় যে নাইকিয়া
বস্ত্ৰ ও বিহীন যে খাদ্য ও তাকৰিয়া
ঘৰ-বাৰী উটি গ'ল
দেহাও আথানি হ'ল
আশা ভৰসা নাই জীৱ যে ক্ষন্তেকীয়া।
(২)
তুমিলোকে যে চোৱা নৈ জুৰিৰ সৌন্দৰ্য
প্ৰাকৃতিক পৰিবেশে কৰে যে মাধূয্য
মন নিয়ে তাতে মোহি
ঘৰলৈ নাহা যে ঘূৰি
দুৰ্যোগৰ দৃশ্য দেখি হয় যে আশ্চৰ্য।



**ৰাজুমণি বৰা, গুৱাহাটী**

(১)
ভোল-আৰু কাৰৈ মাছ জালুকীয়া জোল
যি নাই খোৱা নুবুজিব যে তাৰ মোল
আজি খালো পালো মজা
ইউৰিক আজি ৰজা
ইউৰিক, বিষ থাকিলে নাখাবা ভোল
(২)
বগীজামু দেখি লোভত পাৰিব গ'লো
বোপাই ঐ পৰুৱাৰহে কামোৰ খালো
ঢাপৰ জামু ধুনীয়া
সোৱাদটোয়ে পনীয়া
নেখাওঁ বগী জামু ঘৰলৈকে ঘুৰিলোঁ

(১)
কেৰেলুৱাৰ দৰে বাচে আগুৱাইছে
নাতিনী জনী আজিৰ পৰা স্কুল গৈছে
ৰাস্তাতহে যানজট
যাব লাগে পতাপট
খদমদম্ ঘৰ নিজান পৰি গৈছে।
(২)
আইতাকহে লৈ যাব প্লেনট দিল্লীলৈ
বাঙ্গালোৰতে ককাক থৈ যাব অকলে
মোৰ লগত কাজিয়া
এতিয়াহে পাবা মজা
থাকা ককা ঘৰতে কান্দি কান্দি অকলে।

**মায়া বৰদলৈ**



(১)
পৃথিৱীখন যে স্বাৰ্থৰে ভৰি পৰিছে
মানুহেই মানুহক বিকিব ধৰিছে
দেশ ৰসাতলে গ'ল
মানৱ দানৱ হ'ল
লোভেই মানুহক পশু তুল্য কৰিছে।
(২)
চাৰিওফালে শুনিছোঁ লুণ্ঠন ধৰ্ষণ
অশ্লীলতা হ'ল সমাজৰ আকৰ্ষণ
সঁচাৰ অভাৱ হ'ল
বিশ্বাস হেৰাই গ'ল
ভাতৃয়ে ভাতৃক কৰিলে গুলি বৰ্ষণ ।

**কাঞ্চন সাউদ বৰা, গুৱাহাটী**



গ্ৰন্থ সমালোচনা

# ‘দেৱদাস’- এক অসমাপ্ত প্ৰেম গাথা
# অনুবাদিকা নিবেদিতা শইকীয়াৰ সাৰ্থক অনুবাদ




**যুগান্ত দাস,ভৱানীপুৰ**

অসমীয়া সাহিত্যত অনুবাদ সাহিত্যৰ পৰম্পৰা বহু পুৰণি।অনুবাদ সাহিত্যই অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰি ৰাখিছে। ইংৰাজী, বাংলা আদি ভাষাৰ কালজয়ী সাহিত্য ( গল্প, কবিতা, উপন্যাস) অসমীয়া ভাষালৈ অনুদিত হৈছে । প্ৰাক শঙ্কৰী যুগতে মাধৱ কণ্ডলিয়ে সংস্কৃত ৰামায়ণ খন অসমীয়া ভাষালৈ অনুবাদ কৰি অসমীয়া সাহিত্যত অনুবাদ সাহিত্যৰ সূচনা কৰিছিল । মাধৱ কণ্ডলিয়ে ৰামায়ণ খন অসমীয়া ভাষালৈ অনুবাদ কৰোতে য'তে সুবিধা পাইছে তাতেই অসমীয়া সমাজ জীৱনৰ চিত্ৰ দাঙি ধৰি ইয়াক জনগণৰ অধিক মনোগ্ৰাহী কৰি তুলিছে । অসমীয়া ফকৰা যোজনা, পটন্তৰ আদিৰ ব্যৱহাৰে আৰু অধিক ওচৰ চপাই নিছে ।

শঙ্কৰী যুগৰ সাহিত্যও অনুবাদ প্ৰধান । সেই সময়ৰ অনুবাদ সাহিত্যৰ মূল আধাৰ আছিল সংস্কৃত ভাষাত ৰচিত শ্ৰীমদ্ভাগৱত, পুৰাণ, হৰিবংশ, মহাভাৰত, ৰামায়ণ আদি ধৰ্মগ্ৰন্থ সমূহ ।মহাপুৰুষ মাধৱদেৱ ৰচিত অসমীয়া ভাষা সাহিত্যৰ আপুৰুগীয়া সম্পদ 'নামঘোষা'ৰ বেছিভাগেই সংস্কৃত শ্লোকৰ অনুবাদ।অকল শঙ্কৰী যুগেই নহয় শঙ্কৰোত্তৰ যুগৰ সাহিত্যও অনুবাদ প্ৰধান সাহিত্য।

মিচনেৰী সকলৰ প্ৰচেষ্টাত অসমীয়া সাহিত্যই এক নতুন মাত্ৰা লাভ কৰে । ১৮৪৬ চনত শিবসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা মিছনেৰী সকলৰ প্ৰচেষ্টাত প্ৰথমখন অসমীয়া ভাষাৰ সংবাদপত্ৰ বা আলোচনী ‘অৰুণোদই’ প্ৰকাশ হয় । ‘অৰুণোদয়ে’ অসমীয়া সাহিত্যলৈ আধুনিক সাহিত্যৰ সোঁত বোঁৱাই আনে। দেশ বিদেশৰ বা বাতৰিৰ লগতে ইংৰাজী আদি ভাষাত ৰচিত কালজয়ী সাহিত্যৰ অনুবাদ কৰি অসমৰ মানুহক সাহিত্যৰ এক নতুন সোৱাদ দিয়ে।

ভাৰতীয় সাহিত্যৰ এখন উল্লেখযোগ্য উপন্যাস হৈছে ‘দেৱদাস’। বাংলা সাহিত্যৰ জনপ্ৰিয় ঔপন্যাসিক শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ এক কালজয়ী সৃষ্টি। দেৱদাস আৰু পাৰোৰ প্ৰেম কহিনীয়ে এই উপন্যাসৰ মূল উপজীব্য।দেৱদাস আৰু পাৰোৰ প্ৰেম কাহিনীৰ বৰ্ণনাৰ সমান্তৰালকৈ সেই সময়ৰ সমাজ জীৱনৰো প্ৰতিফলন ঘটিছে উপন্যাস খনত । বহু চৰ্চিত এই উপন্যাসখনকলৈ ইতিমধ্যে চলচিত্ৰ ও নিৰ্মাণ কৰা হৈছে ।

অনুবাদ এক ধৰণৰ আভিজাত্য ৰচনাশৈলী । অকল মূলৰ শব্দবোৰৰ ভাষান্তৰ কৰিলেই সফল অনুবাদ নহয়। পুনঃসৃজন শৈলীৰ জৰিয়তেহে এক উন্নত অনুবাদ সাহিত্যৰ সৃষ্টি হয় গতানুগতিক বাক্যৰ ভাষান্তৰে পাঠকক ৰসাস্বাদন দিব নোৱাৰে। অনুবাদ কৰোতাৰ মূল ভাষা আৰু অনুদিত ভাষাৰ ওপৰত বিশেষ দক্ষতা থকা অতিকৈ বাঞ্চনীয়। মূল ৰচনাক হৃদয়ংগম কৰিব পাৰিলে অনুবাদ সাৰ্থক হয় ।এক কথাত ক'বলৈ গ'লে অনুবাদ এক গভীৰ তথা তাত্বিক সাহিত্য কলা।

নগাঁওৰ কবি তথা অনুবাদিকা নিবেদিতা শইকীয়াই শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ ধ্ৰুপদী উপন্যাস ‘দেৱদাস’ অনুবাদ কৰি অসমীয়া অনুবাদ সাহিত্যক সমৃদ্ধিশালী কৰি তুলিলে। অনুবাদিকাৰ অনুবাদ খুবেই মসৃণ। অনুবাদিকাৰ অনুবাদ মূলৰ হুবহু অনুবাদ যদিও নিজৰ সৃষ্টিশীল মনৰো প্ৰকাশ ঘটা দেখা যায়। অনুবাদ কৰোতে মূলত থকা নাটকীয়তাৰ তিল মানো হেৰফেৰ হ'ব দিয়া নাই । অনুবাদিকাৰ অনুবাদ ইমানেই মনোগ্ৰাহী হৈছে যে ই অতি সহজেই পাঠকক মোহিত কৰিব পাৰিব । যদিও বাংলা ভাষাৰ এখন কালজয়ী উপন্যাসৰ অনুবাদ ‘দেৱদাস’, কিন্তু পঢ়িলে এনে লাগে এয়া যেন অনুবাদিকাৰ নিজা সৃষ্টিহে বৰ্ণনাত এখন চিনাকী জগত পৰিস্ফুত হৈ উঠা দেখা যায় ।--

“চৌফলীয়া ব'দেৰে ভৰা ব'হাগৰ. ভৰ দুপৰীয়া । গৰমে সীমা চেৰাই গৈছে ।”

উপন্যাসৰ নায়ক দেৱদাসৰ মনৰ ভিতৰত চলা অন্তঃদ্বন্দক অনুবাদিকাই নিখুঁত ভাবেই উপস্থাপন কৰিছে । মূলত যেনেদৰে বৰ্ণিত হৈছে অনুবাদততো সেই একেই বৰ্ণনা ফুটাই তুলিবলৈ সক্ষম। ৰচনাশৈলীত ক'তো অনুবাদিকাই উজুতি খাব লগা হোৱা নাই। নায়িকা পাৰোৰ উপস্থাপনতো হীন দেখি হোৱা নাই মূলৰ। পাৰোৰ অন্তৰত চলি থকা বিষাদৰ ধুমুহাজাকৰ বৰ্ণনা মূলত যেনেদৰে বৰ্ণিত হৈ অনুবাদিকাইও তেনেদৰেই ৰাখিছে। -“ পাৰ্বতীয়ে অন্য-মনস্কভাৱে হাতৰ বালা ঘুৰাই ঘুৰাই ক'লে, এবাৰ ভবিৰ ধূলা শিৰত ল'ম । আজি যামগৈ নহয়।”

“কিন্তু আশাহীনৰ কথা সুকীয়া । আশাহীনৰ দুখ নাই, উৎকণ্ঠা নাই, অথচ তৃপ্তি আছে। চকুৰ পৰা পানীও সৰে গভীৰতাও আছে - কিন্তু সদায় নতুন ভাৱে মৰ্মস্থলত আঘাত নকৰে। চঞ্চল মেঘৰ দৰে মন যেনি তেনি ভাঁহি ফুৰে। য'ত বতাহ নালাগে তাত থমকি ৰয়। বতাহ লাগিলে সেই ঠাইৰ পৰা আঁতৰি যায়। তন্ময় মনে উদ্বেগহীন চিন্তাত সাৰ্থকতা লাভ কৰে। পাৰ্বতীৰো আজিকালি ঠিক তেনেকুৱাই হৈছে।” এই কথাখিনিয়ে অনুবাদিকাৰ সাৱলীল বৰ্ণন কুশলতাৰ চানেকী দাঙি ধৰে। মূল পাঠৰ এনে সাৱলীল আৰু হুবহু বৰ্ণনা দাঙি ধৰা সহজ নহয়। ইয়াতেই ফুটি উঠিছে অনুবাদিকাৰ দুয়োটা ভাষাৰ ওপৰত থকা দক্ষতা। সুযোগ বুজি অসমীয়া ফকৰা যোজনাৰ প্ৰয়োগ কৰি অনুবাদিকাই তেওঁৰ অনুবাদক অসমীয়া পাঠকৰ ওচৰ চপাই নিছে ।

যদিও ‘দেৱদাস’ নিবেদিতা শইকীয়াৰ অনুবাদ গ্ৰন্থ তথাপিও কিন্তু অনুবাদিকাৰ কল্পনাপ্ৰৱণ মনৰ উমান পোৱা যায়। বহু ক্ষেত্ৰত অনুবাদিকা উপন্যাসৰ চৰিত্ৰৰ লগত সংপৃক্ত হৈ পৰা দেখা যায়, যি উপন্যাসখনৰ অনুবাদক আকৰ্ষণীয় কৰি তোলাত সহায় কৰিছে । ভাব, ভাষাৰ উপযুক্ত সংমিশ্ৰণেৰে অনুবাদিকাৰ অনুবাদ সমৃদ্ধ ।

# ফুলক লৈ লিখা স্তৱক

**ইভা গন্ধীয়া ফুকন**



**গোলাপ**

না না ৰঙী গোলাপ ৰূপে মনোহৰ
কাঁইটৰ মাজতে থাকে ফুলি
ৰঙা গোলাপ হেনো প্ৰেমৰ প্ৰতীক
হয়তো বুজিয়ে নাপালোঁ
প্ৰেম ধৰ্মযুদ্ধ নে অৰ্থনীতিৰ জটিল সূত্ৰ
হয়তো বুজি নুঠিম কাহানিও
প্ৰিয়জনে দিয়া গোলাপ পাহি
শুকাই গ'লেও সাঁচি ৰখাৰ
অৰ্থ কি!

**তগৰ**

বসন্তৰ বা লাগি তগৰ ফুলিল
ঢোল পেঁপাৰ মাতত বিহু আহিল
নাচনীও সাজি- কাচি ওলালে
তগৰ ফুলে খোপা শুৱালে!

**শেৱালি**

স্নিগ্ধ জোনাকত শেৱালিৰ সুভাসত
সপোনে হাত বাউলী মাতে
নোৱাৰোঁ যাব দিঠকে হেঁচা মাৰি ধৰে
পূজা পূজা বতৰত
দেৱী দুৰ্গা মাৰ চৰণত
একাঁজলি শেৱালিৰে
আশীষ ভিক্ষা মাগো !

**নিশা ৰাণী**

নিশাৰ আন্ধাৰ ফালি শুভ্ৰ সৌন্দৰ্যৰে
জিলিকে নিশাৰ ৰাণী
সৌৰভ আৰু সৌন্দৰ্যত
বসন্ত ওপজা নিশা
নিশাতে ফুলি নিশাতে মৰহা
বুকুৰ সাদৰি নিশাৰ ৰাণী।

**কপৌফুল**

কপৌফুলে দিলে ব'হাগ অহাৰ বাতৰি
প্ৰকৃতিয়ে ন সাজ পিন্ধি ব'হাগীক আদৰিলে
নাচনীক কপৌফুল পাহি দিয়াৰ চলেৰে
বিহুৱাই মনৰ কথা পাতে
কপৌফুল জাতীয় ফুল ৰূপে
জগতে জানিলে!

# শিক্ষাসেতু এপত উপস্থিতি

জিলাত ১৫৩গৰাকী, লখিমপুৰ জিলাত ১৪৮গৰাকী, নলবাৰী জিলাত ১০৬গৰাকী, বৰপেটা জিলাত ১২৪ গৰাকী, কামৰূপ জিলাত ১৯৩গৰাকী, বঙাইগাঁও জিলাত ৫৮গৰাকী, চৰাইদেউ জিলাত ৪৭ গৰাকী, চিৰাং জিলাত ৪৩গৰাকী, ধেমাজি জিলাত ৭১ গৰাকী, হাইলাকান্দি জিলাত ৯৮গৰাকী, মাজুলী জিলাত ২০ গৰাকী, মৰিগাঁও জিলাত ৮২গৰাকী, হোজাই জিলাত ৪৬গৰাকী, ওদালগুৰি জিলাত ৬৫ গৰাকী, পশ্চিম কাৰ্বি আংলং জিলাত ৫০ গৰাকী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত ৪৯ গৰাকী শিক্ষকে শিক্ষাসেতু এপত উপস্থিতি আপলোড কৰা নাই। স্কুল শিক্ষা বিভাগে অতিৰিক্ত জিলা আয়ুক্তলৈ প্ৰেৰণ কৰা নিৰ্দেশনাটোত ইয়াকো স্পষ্ট কৰিছে যে যিসকল শিক্ষক অনুপস্থিত আছে, ডিইইঅ' অথবা বিদ্যালয়সমূহৰ পৰিদৰ্শকক লগত লৈ তেওঁলোকৰ অস্তিত্ব ক্ষেত্ৰভিত্তিক পৰীক্ষা কৰিব লাগিব। পৰীক্ষাৰ অন্তত শিক্ষকসকলৰ অনুপস্থিতিৰ কাৰণসহ প্ৰতিবেদন দাখিল কৰিবলৈ অতিৰিক্ত জিলা আয়ুক্তক কোৱা হৈছে। যিসকল শিক্ষকৰ উপস্থিতি শিক্ষাসেতু এপত আপলোড হোৱা নাই তেওঁলোকৰ দৰমহা বন্ধ ৰাখিবলৈও কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰি শিক্ষা বিভাগৰ নিৰ্দেশটোত উল্লেখ কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে বৃহৎসংখ্যক শিক্ষকৰ শ্ৰেণীকোঠাত উপস্থিতি নাই, গতিকে বিভাগক বিষয়টো তদন্ত কৰিবলৈ দিয়া হৈছে, দৰাচলতে এই শিক্ষকসকল কৰ্মৰত হৈ আছে নে নাই। এদিনো উপস্থিত নথকাটো গুৰুতৰ বিষয়। ৰাজ্যৰ ৭৫ শতাংশ শিক্ষকে নিয়মিতভাৱে শ্ৰেণীকোঠাত উপস্থিত থাকে। মাত্ৰ ২৫-৩০ শতাংশ শিক্ষকহে অনিয়মীয়া। গতিকে ইয়াৰ এক তদন্ত হ'ব, কিয় তেওঁলোক উপস্থিত নাই।

# শিক্ষাৰ্থীৰ ছুৰীৰ আঘাতত

ভিতৰতেই ঢলি পৰে। লগে লগে শিক্ষাৰ্থীসকলৰ চিঞৰ-বাখৰ শুনি সতীৰ্থ আন শিক্ষকসকলৰ লগতে স্থানীয় ৰাইজ ঘটনাস্থলীত উপস্থিত হৈ ৰক্তাক্ত হৈ পৰা ৰাজেশ বাবুক এখন ব্যক্তিগত বাহনেৰে নগৰৰ এখন ব্যক্তিগত নাৰ্ছিং হোমত ভৰ্তি কৰায়। কিন্তু আঘাত গুৰুতৰ হোৱা বাবে চিকিৎসকৰ পৰামৰ্শক্ৰমে ৰাজেশ বাবুক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ নিয়া হয় যদিও বাটতে মৃত্যু হয়। আনহাতে এই লোমহৰ্ষক ঘটনা সংঘটিত কৰাৰ পিছতো ঘটনাস্থলীৰ পৰা পলায়ন কৰাৰ পৰিৱৰ্তে ঘাতক ছাত্ৰজনে প্ৰথম মহলাৰ শ্ৰেণীকোঠাৰ পৰা হাতত ছুৰী লৈ নামি আহি আৰক্ষীৰ বাবে বাসগৃহটোৰ তললৈ নামি অহা খটখটীত বহি থাকে । আৰক্ষী কিয় ইমান দেৰিলৈকে ঘটনাস্থলীত উপস্থিত হোৱা নাই, তাক লৈও বিভিন্নজনক প্ৰশ্ন কৰে। অৱশ্যে ঘটনাৰ খবৰ পায়ে ততাতৈয়াকৈ উপস্থিত হোৱা এটা টহলদাৰী আৰক্ষীৰ দলে ঘাতক ছাত্ৰজনক নিজৰ জিম্মাত লয় । প্ৰাপ্ত বাতৰি মতে, নিহত ৰাজেশ বাবুৰ ঘৰ কৰ্ণাটকৰ বিজয়বাড়াত । আজিৰ পৰা চাৰি বছৰৰ পূৰ্বে লখিমীনগৰত আৰম্ভ কৰা ছাই বাবা কোচিং চেন্টাৰটোৰ অধ্যক্ষৰ লগতে ৰসায়ন বিভাগৰ পাঠদানো কৰিছিল ৰাজেশ বাবুৱে । একাদশ আৰু দ্বাদশ শ্ৰেণীত ৰসায়ন বিভাগৰ নিয়মিত পাঠদান কৰা ৰাজেশ বাবুৰ প্ৰশাসনিক দিশৰ দক্ষতাৰ বাবেই শীৰ্ষ মণ্ডলীয়ে অধ্যক্ষৰ দৰে গুৰু দায়িত্বও অৰ্পণ কৰিছিল ।

# ৰাজ্যত বৃদ্ধি পাইছে মহিলা

অবাঞ্চিত ঘটনাবোৰ ব্যাপক হাৰত বৃদ্ধি পাইছে।" গুৱাহাটীৰ গণেশগুৰিস্থিত আম আদমী পাৰ্টিৰ কাৰ্যালয়ত দলৰ জ্যেষ্ঠ নেত্ৰী অনুৰূপা ডেকাৰজাই ৰাজ্যত সংঘটিত মহিলাৰ বিৰুদ্ধে অপৰাধ সন্দৰ্ভত এইদৰে মত ব্যক্ত কৰে। বলাৎকাৰৰ বিৰুদ্ধে ফাষ্টট্ৰেক আদালতৰ জৰিয়তে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাই আপৰ নেত্ৰী গৰাকীয়ে কয়, " এটা সমীক্ষা অনুসৰি অসমত দৈনিক কমেও ৩ টাকৈ বলাৎকাৰৰ ঘটনা সংঘটিত হয়। কিছুদিন পূৰ্বে কোকৰাঝাৰত এগৰাকী যুৱতীক দলবদ্ধ ধৰ্ষণৰ পিছত যুৱতী গৰাকীৰ সহোদৰক নৃশংসভাৱে হত্যা কৰা হৈছিল। কেইদিনমান পূৰ্বেও ৰাজ্যখনত পুনৰ অনুৰূপ ঘটনা সংঘটিত হৈছে। ৰাজ্যৰ প্ৰশাসন কঠোৰ নোহোৱা বাবেই বাৰম্বাৰ এনে ঘটনা সংঘটিত হ'বলৈ পাইছে। যি সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেটী বাচাওঁ, বেটী পঢ়াওঁ শ্লোগান দিছে সেই সময়তে অসমত বলাৎকাৰৰ বলি হোৱা মহিলা বা যুৱতী সকলে ন্যায় লাভৰ পৰাও বঞ্চিত হৈছে। আমি আম আদমী পাৰ্টিয়ে পঞ্জীয়নভুক্ত ধৰ্ষণৰ গোচৰ সমূহ ফাষ্টট্ৰেক আদালতৰ জৰিয়তে নিস্পত্তি কৰি দোষীৰ কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাওঁ।" আনহাতে ৰাজ্যৰ কেইবাখনো জিলা পুনৰ বানপানীৰ কবলত পৰিছে। বানত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে এককালীন সাহায্য আৰু বিধ্বংসী বানত ঘৰ-ভেটি হেৰুৱাই সৰ্বস্বান্ত হোৱা সকলৰ আবাসনৰ ব্যৱস্থাৰ বাবে আপৰ নেত্ৰী গৰাকীয়ে দাবী উত্থাপন কৰে। ইপিনে চৰকাৰে মহাবিদ্যালয় সমূহত স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ মাচুল বৃদ্ধিৰ বিৰোধিতা কৰে আম আদমী পাৰ্টিয়ে। হঠাতে শিক্ষা বিভাগে অত্যাধিক মাচুলৰ বোজা জাপি দিয়াৰ তীব্ৰ বিৰোধিতা কৰি আপৰ নেত্ৰী অনুৰূপা ডেকাৰজাই কয়, "চৰকাৰে ছাত্ৰ - ছাত্ৰী বা অভিভাৱক সকলৰ সক্ষমতাৰ কথা চিন্তা নকৰি কলা, বাণিজ্য শাখাৰ নামভৰ্তিৰ মাচুল ৪,০৬০ টকাৰ পৰা ৭,১৮০ টকালৈ বৃদ্ধি কৰিছে। বিজ্ঞান শাখাৰ মাচুলো ৪,৯৬০ টকাৰ পৰা ৭,৪৮০ টকালৈ বৃদ্ধি কৰিছে। এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ আমি চৰকাৰৰ শিক্ষা বিভাগৰ প্ৰতি আহ্বান জনাইছোঁ।"






# সন্মান- অপমান

যায়। নহয়নে বাৰু?

"অতীতক নেযাবা পাহৰি" বুলি ইতিমধ্যে কবি যতীন্দ্ৰ নাথ দুৱৰাই আমাক সকীয়াই গৈছেই। কথাযাৰ সৰোগত কৰি বৰ্তমান লাগিলে যিয়েই নহওঁক কিয়, অতীতক কেতিয়াও পাহৰিব নাপায়। মানৰ ৰূপে এখন সমাজত বসবাস কৰি কেতিয়াও নিজৰ আত্মসন্মান তথা স্বাভিমানৰ বলিদান দিব নাপায়। অন্যথা বিভিন্ন শ্ৰেণীৰ লোকে মূৰত উঠি নাচিবলৈ কোনো ধৰণৰ ত্ৰুটি নকৰে।

অতীতৰ চৰম অপমান পাহৰি আকৌ সেই সকল লোকক আকোৱালি লৈ নিজৰ মান-সন্মান, আত্মমৰ্যদা, স্বাভিমান জলাঞ্জলি দি বুকু ফিন্দাই মূৰ দাঙি সমাজত ঘূৰি ফুৰা মানুহ আজিৰ দিনত উভৈনদী। গৰিষ্ঠ সংখ্যকেই নিজৰ নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে যিকোনো পৰ্য্যায়লৈ নামিবলৈ সদা প্ৰস্তুত।

ধিক এনে মানসিকতা।

ধিক তেওঁলোকৰ বৰ্তমান।

সন্মান এনেকুৱা এবিধ বস্তু, আমাৰ আচাৰ-ব্যৱহাৰ, চিন্তাধাৰা, কৰ্মকাণ্ডৰ ফলস্বৰূপে যি আনে আমাক যাচে। সন্মান কোনো খুজি লোৱা বস্তু নহয়, স্বতঃস্ফূৰ্ত ভাৱে আনে যাচে উত্তম কৰ্মৰাজীৰ বাবে, সুস্থ চিন্তাধাৰাৰ বাবে আৰু বিভিন্ন মানবীয় গুণবোৰৰ বাবে।

সেয়েহে সন্মান-অপমান-অতীত আৰু বৰ্তমান এটা আনটোৰ পৰিপূৰক।

# কংগ্ৰেছ ত্যাগ কৰি

কৰিবলৈ সক্ষম হৈছে। এই সময়তে ৰমেন বৰঠাকুৰৰ যোগদানে আপৰ ভেটি সুদৃঢ় কৰিব বুলি আতিশীয়ে আশা প্ৰকাশ কৰে। সংবাদমেলত দলটোৰ উত্তৰ পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মাই কয়, "ৰমেন বৰঠাকুৰৰ দীৰ্ঘদিনীয়া ৰাজনৈতিক অভিজ্ঞতাই অসমত আপক উপকৃত কৰিব। ৰাজ্যখনৰ জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থত বৰঠাকুৰে বিভিন্ন আন্দোলনৰ সৈতে জড়িত হৈছিল। বিগত দিনবোৰত তেওঁ বিজেপিৰ সাম্প্ৰদায়িক ৰাজনীতি আৰু অপশাসনৰ বিৰুদ্ধে সদা জাগ্ৰত প্ৰহৰীৰ দৰে ভূমিকা পালন কৰি আহিছে। এতিয়াৰ পৰা আমি একেলগে আপক আগবঢ়াই লৈ যোৱাৰ বাবে কাম কৰিম।" সংবাদমেলত আতিশীয়ে দলীয় টুপী আৰু ৰাজেশ শৰ্মাই দলীয় পতাকাৰে নৱাগত নেতাগৰাকীক আদৰণি জনায়। বৃহস্পতিবাৰে গুৱাহাটীত আপৰ ৰাজ্যিক কাৰ্যালয়ত দলৰ নেতা-কৰ্মী সকলে ৰমেন বৰঠাকুৰক আদৰণি জনায়।

# বান পৰিস্থিতিৰ বুজ

লগতে প্ৰাকৃতিক জলাশয়সমূহ পুতি পেলোৱাৰ ফলস্বৰূপেও চহৰখনত এনে অনাকাংশিত কৃত্ৰিম বান পৰিস্থিতি উদ্ভৱ হৈছে বুলি উল্লেখ কৰে। চহৰখনৰ কৃত্ৰিম বানপানী সমস্যাৰ স্থায়ী সমাধানৰ বাবে এক বিস্তৃত পৰ্যালোচনা কৰাটো অতিশয় জৰুৰী বুলিও মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে মন্তব্য আগবঢ়ায়। ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ বান পৰিস্থিতি সন্দৰ্ভত সবিশেষ বুজ লোৱাৰ লগতে চহৰখনৰ এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে উচ্চস্তৰীয় বিশেষজ্ঞ দলৰ দ্বাৰা এক ৰ'ড মেপ প্ৰস্তুত কৰিবলৈয়ো নিৰ্দেশ দিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সেই মৰ্মে জিলা আয়ুক্ত প্ৰমুখ্যে অন্যান্য সংশ্লিষ্ট বিভাগৰ বিষয়াবৰ্গক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে আহ্বান জনায়।

# চচলত কৃতি ছাত্ৰ-ছাত্ৰী

দশম আন্তঃৰাষ্ট্ৰীয় কাৰাটে চেম্পিয়নশ্বিপৰ কৃতি খেলুৱৈ কণমানি নিৰ্ভয় ভৰদ্বাজক ফুলাম গামোচা, মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে বিশেষ অভিনন্দন জ্ঞাপন কৰা হয়। বিশিষ্ট অনাতাঁৰ শিল্পী প্ৰণতি বৰুৱাৰ সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা অভিনন্দন অনুষ্ঠানত কৃতি ছাত্ৰ-ছাত্ৰী যথাক্ৰমে ঋষভ বৰা আৰু কৃষ্টি কংকনা তালুকদাৰৰ সুমধুৰ সংগীতে উপস্থিত সকলোকে আপ্লুত কৰে। শাখা সভাৰ সম্পাদক ড° কমল চৌধুৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত মহানগৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি হৰেশ্বৰ ডেকা, শাখা সভাৰ প্ৰাক্তন সভাপতি লোহিত হাজৰিকা আৰু প্ৰাক্তন উপায়ুক্ত ভুপেন্দ্ৰ চন্দ্ৰ দাসৰ লগতে শাখা সভাৰ কৰ্মকৰ্তা, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকাৰ সহিতে শতাধিক ব্যক্তি উপস্থিত থাকে বুলি শাখা সভাৰ প্ৰচাৰ সম্পাদক ধনঞ্জয় তালুকদাৰে জানিবলৈ দিয়ে।

# ENGLISH NEWS SECTION

## Assam Governor visits flood hit Morigaon District



Guwahati,RB News: As the second wave of flood in Assam continues to affect the state, Assam Governor Shri Gulab Chand Kataria today visited flood affected Morigaon district and spent time with the flood hit people of Bhuragaon village. The Governor interacted with them and took stock of the situation. He also took stock of the prevailing flood situation and directed district administration to make adequate arrangements to meet the requirements of the flood affected people. Swollen by heavy monsoon rains, Brahmaputra and its tributaries have flooded large parts of Morigaon district affecting more than 55 thousand people in 3 revenue circles. In view of this, Governor Shri Kataria asked District Commissioner Devashish Sarma to immediately reach out to the flood victims with proper relief materials including medical facilities. He asked the Health Department of the district to take care of the flood affected people especially the aged, lactating mothers and babies. He also took stock of the preliminary flood induced damages in terms of properties, crop land and cattle. Hailing the district administration for its timely intervention with regard to relief and rescue, the Governor requested the flood affected people to approach the district administration for any problems.Earlier, upon reaching the Morigaon circuit house, Shri Kataria held a meeting with the District Commissioner, Superintendent of Police and district administration officials of Morigaon district and took stock of the flood situation of the district.

## Governor attends programme of Sadou Asom Satra Mahasabha



Guwahati,RB News: Assam Governor Shri Gulab Chand Kataria attended a programme 'Setubandhan' organized by Sadou Asom Satra Mahasabha at Madhavdev International Auditorium. Speaking on the occasion, Shri Kataria said that Assam is a nerve centre of many cultures. "The cultural mix exists in this region presents a unique mosaic of unity in diversity. The colourful demography with its inherent cultural beauty has made the state an epithet of cultural confluence. I hope Setubandhan strengthens our bond of brotherhood and camaraderie".Attaching high importance to the teachings and philosophy of Srimanta Sankardeva and Madhavdeva in the intellectual and spiritual pursuits, Shri Kataria said that Mahapurush Srimanta Sankardeva travelled across the length and breadth of the country and spread the message of unity and equality. "We have to move forward collectively to fulfill our dream of a strong and resurgent India which will be based on the ideals and teachings of Srimanta Sankardeva,"exhorted the Governor. Shri Kataria appreciated Sadou Asom Satra Mahasabha and its functionaries for the valuable contribution of the Mahasabha in fostering socio-cultural synthesis to strengthen the edifice of 'Bor-Asom'. "I am happy that it is also playing a great role in facilitating regular exchanges between our people belonging to different ethnic groups.," the Governor added.

## Ronaldo-led Portugal knocked out of Euro 2024 after loss vs France




RB News: Cristiano Ronaldo-led Portugal have been knocked out of ongoing Euro 2024 after they lost 3-5 on penalties in quarterfinal against France. The match had ended goalless after 120 minutes of play following which penalty shootout took place. France was successful with all its penalties while Portugal's Joao Felix was the only player to miss from the spot.

## Indian contingent for Paris 2024 Olympics meet PM Narendra Modi



RB News: The Indian contingent for the Paris 2024 Olympics traveled to New Delhi to meet Prime Minister Narendra Modi and the Minister of Youth Affairs and Sports, Mansukh Mandaviya, ahead of the major competition. The athletes were accompanied by Indian Olympic Association (IOA) President and Olympian PT Usha, along with chief national badminton coach Pullela Gopichand.

## Maharashtra CM announces 11-crore reward for T20 WC-winning Team India



RB News: Maharashtra CM Eknath Shinde has declared a cash reward of ?11 crore for the Indian team that won the T20 World Cup. He made the announcement during the felicitation of four Mumbai players, that is captain Rohit Sharma, Suryakumar Yadav, Yashasvi Jaiswal and Shivam Dube. He also praised Suryakumar's catch in the final match against South Africa.

# গুৱাহাটী বিশ্ববিদ্যালয়ে লাভ কৰিলে নাকৰ এ+ গ্ৰেড

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয়ে আন এক সাফল্যৰে পুনৰ জিলিকি উঠিছে। নম্বৰ জাল কেলেংকাৰিক লৈ উত্তপ্ত পৰিস্থিতিৰ মাজতে উত্তৰ পূৰ্বাঞ্চলৰ উচ্চ শিক্ষাৰ অন্যতম মহৎ প্ৰতিষ্ঠান হিচাপে পৰিগণিত ঐতিহ্যমণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহিছে এটা সুখবৰ। উল্লেখ্য যে ঐতিহ্যমণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যাংকণ আৰু প্ৰত্যায়ন পৰিষদৰ (নাক) মূল্যায়ন আৰু স্বীকৃতিৰ চতুৰ্থ চক্ৰত এ+ গ্ৰেড লাভ কৰিবলৈ সক্ষম হয়। এই খবৰে বিশ্ববিদ্যালয় পৰিয়ালৰ মাজত উৎসাহৰ ধল বোৱাই আহিছে। বিতৰ্কৰ মাজতো বিশ্ববিদ্যালয়খনে লাভ কৰা এই স্বীকৃতিক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে উপাচাৰ্য ড° প্ৰতাপজ্যোতি সন্দিকৈয়ে। তেওঁ কয় যে নাকৰ তৰফৰ পৰা মুঠ ৭টা দিশ চালি-জাৰি চোৱাৰ পাছতহে এই স্বীকৃতি প্ৰদান কৰা হৈছে। বিশ্ববিদ্যালয়খনলৈ অহা এই স্বীকৃতিয়ে এয়াই প্ৰমাণ কৰে যে গুৱাহাটী বিশ্ববিদ্যালয়ক লৈ বিতৰ্ক যিমানেই সৃষ্টি নহওক কিয়, বিশ্ববিদ্যালয়ৰ শৈক্ষিক মান এতিয়াও উন্নত হৈ আছে। অনাগত সময়তো গুৱাহাটী বিশ্ববিদ্যালয়ে নিজৰ শৈক্ষিক মান অটুট ৰখাৰ ক্ষেত্ৰত কোনোধৰণৰ



আপোচ কেতিয়াও নকৰে বুলি তেওঁ লগতে মন্তব্য কৰে।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286